চান্দমামা

জানুয়ারি ১৯৯৫



‘চান্দমামা’ৰ মজা আৰু বাঢ়ে
লগত যদিহে মেঙ্গো বাইট থাকে

everest/93/PP/163 ass

চান্দমামা

মাহৰ পাছত মাহ ধৰি বিভিন্ন ৰুচিৰ গল্প-কাহিনীৰ যোগেদি প্ৰচাৰ কৰিছে

ভাৰতৰ অতীত আৰু বৰ্তমান গৌৰৱ

৬৪ পৃষ্ঠাতকৈয়ো অধিক পৃষ্ঠাজোৰা বাৰেবৰণীয়া চিত্ৰ-সমৃদ্ধ

এই চান্দমামা পৌৰাণিক, কিংবদন্তিমূলক, ঐতিহাসিক ঘটনাৱলী,

মহান জীৱন কাহিনী, উচ্চ গুণ-মানৰ গল্প-কথাৰে ভৰপূৰ

১১টি ভাষাত আৰু লগতে সংস্কৃত ভাষাতো প্ৰকাশিত

ডল্টন এজেন্সিজ ১৮৮ এন. এছ. কে. ৰ'ড. মাদ্ৰাজ ৬০০ ০২৬

BAND-AID®

Funtest

প্ৰতিটো বেণ্ড-এড ফানটেষ্ট পেকৰ সতে দুটা ফানষ্টিক্‌চ* বিনামূল্যে

খৰধৰ কৰা!

এতিয়াৰ পৰাই তোমাৰ ফানষ্টিক্‌চ* গোটাবলৈ আৰম্ভ কৰা!

* *সুগন্ধিযুক্ত প্লাষ্টিক ক্ৰেয়ন*

নিয়ম ও বিধিসমূহ

১. এই প্ৰতিযোগিতাত ৪ ৰ পৰা ১৫ বছৰ বয়সৰ ল'ৰা-ছোৱালীয়ে যোগ দিব পাৰিব। কেৱল ভাৰতীয় নাগৰিকত্ব থকাসকলহে যোগ্য হব।
২. 'জনছন এণ্ড জনছন' আৰু 'অগিলভি এণ্ড মাথেৰ'-ৰ কৰ্মচাৰী আৰু তেওঁলোকৰ আত্মীয়সকলৰ যোগদান বিনীতভাৱে প্ৰত্যাখান কৰা হৈছে।
৩. এজন প্ৰতিযোগীয়ে যি কোনো সংখ্যক প্ৰৱেশপত্ৰ পঠিয়াব পাৰে।
৪. প্ৰত্যেকখন প্ৰৱেশপত্ৰই সম্পূৰ্ণকৈ পূৰোৱা হব লাগিব। অসম্পূৰ্ণ বা অস্পষ্ট প্ৰৱেশপত্ৰ অবৈধ বিবেচিত হব।
৫. প্ৰৱেশপত্ৰ গ্ৰহণৰ শেষ তাৰিখ ২৮ ফেব্ৰুৱাৰী, ১৯৯৫। অৱশ্যে, কোম্পানীয়ে বন্ধ কৰাৰ তাৰিখ পিছুৱাই বা আগুৱাই দিয়াৰ অধিকাৰ সংৰক্ষিত ৰাখিছে।

EXPRESS BLOCK

বেণ্ড-এড®

জনছন এণ্ড জনছন

ফানটেষ্টত যোগদান কৰা

তুমি কৰিবলগীয়া কাম হ'ল কেৱল এটা পটীত ৰং দিব লাগে আৰু একেবাৰে সহজ প্ৰশ্ন কেইটামানৰ উত্তৰ দিব লাগে। বচ, তাৰপিচতে তুমি জিকিব পৰাকৈ ইয়াত আছে এখিনিমান আকৰ্ষণীয় পুৰস্কাৰ।

তাৰোপৰি ১০০০ টা পুৰস্কাৰ সৰ্বপ্ৰথমে পঠিওৱাসকলৰ বাবে (গতিকে তোমাৰ প্ৰবেশপত্ৰ আজিয়েই পঠিওৱা!)

ইয়াক এটা ফানষ্ট্ৰিপ বনোৱা!

এই বেণ্ড-এডটোক এটা ফানষ্ট্ৰিপত পৰিণত কৰিবলৈ আশ্ৰয় লোৱা কল্পনাৰ। ইয়াক দেখাত এটা আচল ফানষ্ট্ৰিপৰ দৰে সুন্দৰ কৰি তুলিবলৈ তুমি ইয়াত ৰং দিব পাৰা, আঁকিব পাৰা বা লিখিবও পাৰা।

সঠিক উত্তৰটোত টিক (✓) মাৰা

১. বেণ্ড-এড পটী এটাৰ চাইজ কিমান?
☐ ১৯ মিমি X ৭২ মিমি ☐ ১৭ মিমি X ৭০ মিমি ☐ ২১ মিমি X ৭৪ মিমি

২. কেৱল জনছন এণ্ড জনছনৰ বেণ্ড-এড পটীহে সম্পূৰ্ণৰূপে ষ্টেৰিলাইজ্‌ড কৰা।
☐ সঁচা ☐ মিছা

৩. বেণ্ড-এড ফানটেষ্ট পেকত কিমানটা বেণ্ড-এড পটী (সকলো ধৰণৰ) আছে?
☐ ২০ ☐ ১৫ ☐ ৩০

৪. বেণ্ড-এড পেডত থকা সুফলদায়ক ঔষধখিনিক কি নামে জনা যায়?
☐ বৰিক পাউডাৰ ☐ বেঞ্জলকনিয়াম ক্ল'ৰাইড ☐ টিংকশ্যাৰ আয়ডিন

৫. ভাৰতত, বেণ্ড-এড পটীত কিমানটা ৱাল্ট ডিচনী চৰিত্ৰই এতিয়ালৈকে ভুমুকি মাৰিছে?
☐ ৪ ☐ ৬ ☐ ২

নাম : ____________________

জন্মৰ তাৰিখ : ____________________ ল'ৰা/ছোৱালী : __________

ঠিকনা : ____________________

স্কুল : ____________________

৬. কোনো প্ৰবেশপত্ৰ ঘূৰাই দিয়া নহব।
৭. বিজয়ীসকলক ডাকযোগে জনোৱা হব।
৮. বিচাৰকসকলৰ সিদ্ধান্তই চূড়ান্ত আৰু ধৰাবন্ধা হব।
৯. জনছন এণ্ড জনছন-এ কোনো কাৰণ উল্লেখ নকৰাকৈয়ে/কৰি আঁচনিখন পৰিবৰ্তন কৰাৰ, স্থগিত ৰখাৰ অথবা উঠাই লোৱাৰ অধিকাৰ সংৰক্ষিত ৰাখিছে।
১০. সকলো প্ৰবেশ-পত্ৰ সাধাৰণ ডাকযোগে এই ঠিকনালৈ পঠিয়াব লাগিব : দি বেণ্ড-এড ফানটেষ্ট, মাৰফৎ- ডাটাবেচিক্‌চ, পো. অ. বক্স ১৬৬০৫, বম্বে-৪০০ ০১৯।

Ogilvy&Mather 5179 ASM

চান্দমামা

*

জানুবাৰি ১৯৮০

*

এই সংখ্যাত আছে

*

মন হওক সেউজীয়া	:	৭
মাৰি কাণে কাণ	:	৯
আত্ম-অহংকাৰ	:	১১
অতুল-সুন্দৰী	:	১৭
সম্বাদ-বিচিত্ৰা	:	২৪
তন্ত্ৰ মন্ত্ৰ আৰু বাস্তৱতা	:	২৫
বিষম ভুল	:	৩২
চান্দমামা-ক্ৰোড়পত্ৰ	:	৩৩
নিদ্ৰা-ৰহস্য	:	৩৭
অবিশ্বাস	:	৪২
মহাভাৰত	:	৪৫
যাৰ বিকল্প নাই	:	৫৩
লোকজ্ঞান	:	৫৫
প্ৰকৃতিৰ বৈচিত্ৰ্য	:	৬৩

*

ফটো-প্ৰতিযোগিতা-পুৰস্কাৰ ৬৫

চান্দমামা : খনে : ৫'০০ টকা মাথোন

বছৰেকীয়া বৰঙনি : ৬০'০০ টকা মাথোন

চান্দমামা

সংস্থাপক : চ ক্র পা ণি   সঞ্চালক : বি নাগিৰেড্ডি

মন হওক সেউজীয়া

এদশকমানৰ আগতে, দিল্লীত, ৩০খন দেশৰপৰা 'শিশু-পৰিবেশ'ৰ ওপৰত সন্মিলন পতা হৈছিল। তথ্য-পাতি আৰু বিষয়বস্তুগত বক্তব্য উপস্থাপনৰ বাবে প্ৰস্তুত হৈয়েই তেওঁলোক আহিছিল। মুখ্য অতিথি আছিল, 'চিপকো' আন্দোলনৰ স্রষ্টা তথা গুৰি-ধৰোঁতা পৰিৱেশবিদ বিখ্যাত শ্ৰী সুন্দৰলাল বহুগুণা। সেই সন্মিলনত অংশগ্ৰহণ ত্ৰিছখন দেশৰ ত্ৰিছগৰাকী প্ৰতিনিধিক তেওঁ অতি সাধাৰণ প্ৰশ্ন এটি কৰিছিল : 'আপোনালোকৰ মাজত কোন কেইজনে নিজ হাতেৰে গছপুলি ৰুইছিল—হাত দাঙি কওক।" কিন্তু এখন হাতও ওপৰলৈ নুঠিল।

আমাৰ দেশৰ অধিকভাগ বিদ্যালয়গৃহৰ নিজাকৈ কিছু মাটি থাকে, তাত গছপুলি ৰোপণ শিক্ষকসকলে ছাত্ৰক শিকাব পাৰে।

উড়িষ্যাৰ এগৰাকী শিক্ষকে এজনী ছোৱালীক এই বৃক্ষৰোপণ-কাৰ্য্যত যেনেকৈ সহায় কৰিছিল, মন কৰিবলগীয়া। ছোৱালী-জনীয়ে ৰোৱা পুলিটিৰ কাষত বহি তাইক গীত গাবলৈ কৈছিল, তেওঁ আৰু মাত্ৰ দুমাহতে সেই পুলিটি লহপহীয়া হৈ উঠিছিল। কিন্তু সেই একেই বিধৰ পুলি আন এটি ল'ৰাই ৰুই পুলিটিলৈ ঘূৰিও নোচোৱাত পুলিটি ক্ৰমে ক্ৰমে শুকাই গৈছিল।

বৃক্ষৰোপণৰ বিষয়ে কেৱল পঢ়ি বা বক্তৃতা শুনিয়েই কাম নহ'ব ; বৃক্ষকো মানৱসমাজৰ পৰম বন্ধু বুলি গণ্য কৰি মৰমেৰে লালন-পালন কৰিব লাগিব আৰু বৃক্ষকো মানৱ সমাজৰ হিতৈষী বুলি ভাবি যথোচিত সমাদৰ কৰিব লাগিব। এইটি কথা ভাবিব লাগিব :

বৃক্ষৰ প্ৰতি মানৱৰ মন হওক সেউজীয়া।

বছৰ : ১৯ জানুৱাৰি ১৯৯৫ সংখ্যা : ১০

খনে ৫'০০ টকা :: বছৰেকীয়া বৰঙনি ৬০'০০ টকা

I shared my homework. And some maths. Did some patterns. Shared my Mortons.

MORTON
SWEETS

We enjoy our School days....and Lunch Breaks more so with Mortons which we share. It has been our Family's favourite for years and years. Delicious and yummy in so many flavours. All with the goodness of Creamy Milk, Glucose and Sugar. Chocolate and Coconut Cookies, Rose Eclairs, Supreme Chocolate and Coconut Toffees, Lacto Bonbons, Mango King and so many other delicious treats.
Um m m m m. Every bite a yummy delight.

A lifetime of real goodness

MORTON CONFECTIONERY & MILK PRODUCTS FACTORY
P.O. : Marhowrah 841 418. Dist. : Saran, Bihar

CC/M-2/93

Caution Notice: MORTON and its wrappers are registered trade mark of Upper Ganges Sugar & Industries Ltd. Any infringement of trade mark rights is liable to prosecution.

পৃথিৱীৰ খিৰিকীৰে :

মাৰি কাণে কাণ—সাৰিলে আক্ৰমণ



অকট'বাৰৰ ৫ তাৰিখটি হাইতিৰ ক্যাৰিবিয়ান জাতিৰ কাৰণে এটি ৰঙা ৰঙৰ দিন। কিয়নো, তেওঁলোকৰ অতিকৈ' মৰমৰ জঁা-বাৰ্ত্ৰা-আৰিষ্টিয়ে (Mr. Jean-Bertrand Aristide) নিৰ্বাসনৰপৰা উভতি দেশৰ প্ৰথমগৰাকী নিৰ্বাচিত ৰাষ্ট্ৰপতিৰূপে ক্ষমতা গ্ৰহণ কৰিলে, যদিও তেওঁ প্ৰকৃততে নিৰ্বাচিত হৈছিল ১৯৯১ চনত, যি নিৰ্বাচন এক সামৰিক অভ্যুত্থানৰ দ্বাৰা মষিমূৰ কৰা হৈছিল। তাৰ পাছত আমেৰিকাই সেই অভ্যুত্থানৰ নেতা লেফ্টেন্যান্ট জেনাৰ্যাল ৰাৱল ছেড্ৰক কৈছিল নিৰ্বাচনৰ গণতান্ত্ৰিক ফলাফল মানি লৈ পদত্যাগ কৰিবলৈ, আনকি হাইতি-আক্ৰমণৰ সতৰ্কবাণীও ব্যক্ত কৰিছিল, যি-আক্ৰমণ—মাত্ৰ ঘণ্টাদিয়েকৰ বাবে হ'লেই যথেষ্ট হ'লহেঁতেন।

প্ৰাক্তন আমেৰিকীয় ৰাষ্ট্ৰপতি জিমি কাৰ্টাৰে এই বিষয়টোৰ শান্তিপূৰ্ণ মীমাংসাৰ বাবে চেষ্টা কৰাত ছেড্ৰাই অৱশেষত যোৱা ১২ অকট'বাৰ তাৰিখে পদত্যাগ কৰি মি. আৰিষ্টাৰ প্ৰত্যাৱৰ্তনৰ বাট উলিয়াই দিবলৈ বাধ্য হৈছিল।

আমেৰিকাৰ আৱিষ্কাৰক খৃষ্টোফাৰ কোলাম্বাছে আমেৰিকা আৱিষ্কাৰ কৰাৰ বছৰতে,(১৯৪২) হাইতি নামৰ 'ৰংঘৰ-ৰংপুৰ গছে-বনে ভৰপূৰ' হাইতিও আৱিষ্কাৰ কৰিছিল। হাইতি কিউবাৰ দক্ষিণ-পূৰ্ব দিশত অৱস্থিত 'হিস্পানেলা'—যাৰ অৰ্থ হ'ল 'ক্ষুদ্ৰ স্পেইন'। থলুৱা ৰেড ইণ্ডিয়ানসকলে যাক কয় 'হাইতি' আৰু হাইতিৰ পূব দিশত থকা বেলেগ সম্প্ৰদায়ৰ মানুহখিনিয়ে তেওঁলোকৰ বাসভূমিক কৈছিল, 'ড'মিনিক্যান ৰিপাবলিক'।

হাইতিৰ বিষয়ে কোলাম্বাছৰ বিৱৰণৰপৰা জনা যায় যে স্পেনিছ ঔপনিবেশিকইতৰ সংখ্যা থলুৱা ৰেড ইণ্ডিয়ানইতকৈ অধিক। ১৭ শতিকাত স্পেইনে হাইতিক ফৰাছিইতলৈ হস্তান্তৰ কৰিছিল। ১৮ শতিকাত ফৰাছি ৰেভল্যুশনৰ কালছোৱাত অন্যান্য ফৰাছি ঔপনিবেশৰ দৰে হাইতিৰ স্বাধীনতাৰ প্ৰশ্নটোৱে মূৰ দাঙিছিল আৰু তৎকালীন ফৰাছি শাসক-প্ৰধান নাপলেয় ব'নাপাৰ্তে-তাত ফৰাছি কৰ্তৃত্ব বজায় ৰাখিবলৈ সৈন্য-বাহিনী পঠাইছিল। কিন্তু তাত তেতিয়া পীত-জ্বৰ বা পৈত্তিক জ্বৰে (Yellow Fever) মাউৰৰ আকাৰ লোৱাত সৈন্য-বাহিনীয়ে কথমপি পলাই সাৰিলে, আৰু ১৮০৪ চনত হাইতিয়ে স্বাধীনতা ঘোষণা কৰিলে।

১৯৫১ চনত আমেৰিকাৰ শাসনাধীন হ'ল আৰু প্ৰায় দুই দশক ধৰি আমেৰিকীয় শাসন চলি থাকিল। ১৯৫৭ চনত ড' ফ্ৰাংকো দুভালিয়ে (Dr. Francois' Duvalier)ই ক্ষমতাত অধিষ্ঠিত হ'ল। তেওঁক 'পাপ-ডক' বা 'ডাক্টৰ দেউতা' বুলি অভিহিত কৰা হৈছিল। ১৯৭১ চনত তেওঁৰ

মৃত্যুৰ পাছত তেওঁৰ পুত্ৰ ‘বেবি ডক’—জঁা-ক্লদ ডুভালিয়েই (Jean-Claud Duvalier) ক্ষমতাৰ জৰী হাতত ল’লে আৰু তেওঁ নিজক ‘আজীৱন-ৰাষ্ট্ৰপতি’ বুলি নিজক নিজেই ঘোষণা কৰিলে, যি-ঘোষণাই জনমনত অসন্তোষৰ জুইহে জ্বলালে। ১৯৮৬ চনত সামৰিক-নেতা লেঃ জেঃ ন্নাম্‌ফিয়ে ‘বেবি ডক’ক দেশৰপৰা বিতাড়িত কৰিলে। ন্নাম্‌ফি বিতাড়িত হ’ল ১৯৮৮ চনত। তাৰ পাছত যদিও ছিভিলিয়ান গাভাৰ্নমেণ্ট প্ৰতিষ্ঠিত হ’ল, কিন্তু পটৰ আঁৰত থাকিল সেই সেনাবাহিনীয়েই।

জঁা-বাৰ্ত্ৰাঁ আৰিষ্টিয়েৰ জন্ম দৰিদ্ৰ কৃষি পৰিয়ালত, পোৰ্ট-আ-ছালুতে (Port-au-Salute) নামৰ ঠাইত। নিচেই কম বয়সত পিতৃহীন হোৱা মাকে আৰিষ্টিয়েক লৈ হাইতিৰ তৎকালীন ৰাজধানী পোৰ্ট-আ-প্ৰিন্সলৈ গ’ল। ইয়াত আৰিষ্টাই ক্যাথলিক বিদ্যালয়ত নাম লগালে আৰু ইয়াত থকা কালতেই তেওঁ জনগণৰ অপৰিসীম দুৰ্দশাৰ বিষয়ে সম্যক জানিলে। ৮০-ৰ প্ৰাৰম্ভণীত তেওঁ যাজকবৃত্তি ল’লে আৰু দৰিদ্ৰসকলৰ লৈতে দৰিদ্ৰইতৰ এজন হৈ থাকিবলৈ ল’লে। আপামৰ দৰিদ্ৰ জনসাধাৰণে যাজক জঁা-বাৰ্ত্ৰাঁ-আৰিষ্টিয়েক খৃষ্ট-প্ৰেৰিতৰূপে গণ্য কৰিলে। আৰিষ্টিয়েই প্ৰথমগৰাকী হাইতিয়ান ব্যক্তি, যিগৰাকীয়ে প্ৰকাশ্যে ডুভালিয়ে-পৰিয়ালৰ পাৰিবাৰিক-শাসনৰ বিৰুদ্ধে প্ৰতিবাদ কৰিছিল।



আৰিষ্টিয়েৰ এনে প্ৰকাশ্য বিৰোধিতামূলক কাৰ্য্য-কলাপৰ ফলত তেওঁক ক্যাথলিক সমাজৰপৰা বহিষ্কাৰ কৰা হ’ল আৰু তেওঁক জাতিৰ মাজত বিভেদ-সৃষ্টিকাৰীৰূপে ঘোষণা কৰা হ’ল।

১৯৯০ চনত সাধাৰণ নিৰ্বাচন ঘোষিত হ’ল। আৰিষ্টিয়েই এই নিৰ্বাচন প্ৰকৃত স্বাধীন নিৰ্বাচন নহ’ব বুলি ভাবি বয়কট কৰিলে। একেবাৰে মুৰামুৰি সময়ত নিৰ্বাচনত ভাগ লৈ বিপুল ভোটেৰে জয়লাভ কৰিলে।

ৰাষ্ট্ৰপতি আৰিষ্টিয়েই আছিল বাঁওপন্থী মনোভাবাপন্ন, আৰু সেইকাৰণে আমেৰিকাই তেওঁক বা তেওঁৰ নীতিক মুঠেই ভাল নাপাইছিল। সৌপন্থীইত সামৰিক শাসনৰ সমৰ্থক আছিল আৰু সেইহে আৰিষ্টিয়েক ওফৰাই পেলোৱাৰ আঁচনি পাতিছিল।

ছেপটেম্বৰৰ ১৫ তাৰিখে প্ৰেজিডেণ্ট বিল্ ক্লিন্টনে হাইতিৰ সামৰিক শাসকইতক পদত্যাগ কৰিবলৈ সময়সীমা নিৰ্দ্ধাৰিত কৰি দিলে. তাৰ উত্তৰত লেঃ জেঃ ছেড্ৰাই ক’লে. “মই পদত্যাগ নকৰোঁ, দেশক ৰক্ষা কৰিম।” তেতিয়া ক্লিনটনে জিমি কাৰ্টাৰৰ শান্তি-প্ৰস্তাৱ পুনৰ উত্থাপন কৰি সামৰিক নেতাইতক ক্ষমতা হস্তান্তৰ কৰিবলৈ আহ্বান জনালে। যদিও হাইতিত অনুষ্ঠিত প্ৰথম আলোচনা সফল নহ’ল, তথাপি, হাইতিৰ জনসাধাৰণে যেতিয়া বিপুল সংখ্যাত দেশ এৰি পলাই যাবলৈ ধৰিলে, তেতিয়া ১৯ ছেপটেম্বৰত আমেৰিকাৰ সৈন্যবাহিনীয়ে হাইতি কাৰ্যতঃ অধিকাৰেই কৰিলে, যদিও একেবাৰে শেষ মুহূৰ্তত লেঃ জেঃ ছেড্ৰাই—কাৰো বিৰুদ্ধে কোনো দণ্ডমূলক ব্যৱস্থা নোলোৱাৰ চৰ্ত্তত—সেই আক্ৰমণৰপৰা কাণে কাণ মাৰি অব্যাহতি লাভ কৰিলে আৰু ১৫ অক্টোবৰৰ দিনা পদত্যাগ কৰিলে।

আৰিষ্টিয়েই কৈছে: “এই শান্তিৰ কাৰণে অহোপুৰুষাৰ্থৰ বাবে আমেৰিকাৰ প্ৰতি আমাৰ আন্তৰিক ধন্যবাদ।” তেওঁ যেতিয়া হাইতিৰ ৰাজধানী পাইছিলহি. তেতিয়া ২১ বাৰ তোপধ্বনি কৰা হৈছিল।



আত্ম-অহংকাৰ

সুমন্তদেশৰ ৰাজকুঁৱৰী ভানুমতী দেখনে-দৰ্পণে অপূৰ্ব সুন্দৰী হয়েই, পিছে—তেওঁ অহংকাৰীও হয়। তেওঁ অনেক বিদ্যা আৰ্জিলে, অনেক খ্যাতি আৰ্জিলে ; কিন্তু অহংকাৰ তিয়াগিব নোৱাৰিলে।

ৰাজকুঁৱৰীৰ বিয়াৰ বয়সো কেতিয়াবাই হ'ল, কিন্তু এই অহংকাৰৰ কাৰণেই নহ'ল।

তাৰ পাছত এদিন—চুবুৰীয়া বৈজয়ন্ত ৰাজ্যৰ ৰজা ভুৱনবৰ্মাই ৰাজকুঁৱৰী ভানুমতীক বিবাহ কৰাবৰ বাবে ভানুমতীৰ পিতৃদেৱলৈ পত্ৰ লিখি পঠিয়ালে আৰু এই বিবাহৰ বাবে দিন-ক্ষণও স্থিৰ কৰি তেওঁক জনাবলৈ অনুৰোধ কৰিলে।

মহাৰাজে এই পত্ৰৰ কথা কোৱামাত্ৰেই ৰাজকুঁৱৰী ভানুমতী খঙতে জ্বলি উঠি ক'লে, "মোৰপৰা সম্মতিৰ অপেক্ষা নকৰাকৈয়েই দিন-ক্ষণ! এনেহেন অহংকাৰীৰে। অহংকাৰীক বিয়াৰ মোৰ নাই মন আৰু—বিবাহ ধেমালি নহয়—গতিকে বিবাহৰ আগতে পৰস্পৰে পৰস্পৰৰ বুজ-বাজ ল'ব লাগে। যি কি নহওক—এনেহেন দাম্ভিক-অহংকাৰীক মই নিশ্চয় মোৰ জীৱনলগৰী বুলি মানি নলওঁ।"

ৰজা ভুৱনবৰ্মা যে তেওঁৰ তুলনাত বহুগুণে শক্তিমন্ত, মহাৰাজে জানিছিল। ভানুমতীৰ এই প্ৰত্যাখ্যানৰ ফলত অপমান পাই ভুৱনবৰ্মাই যদি সুমন্তদেশ আক্ৰমণ কৰে—তেতিয়া কি হ'ব?

কথাটো জীয়েকক ক'লে মহাৰাজে। আৰু জীয়েক ভানুমতীয়ে মুহূৰ্তমানো নভবাকৈ কৈ উঠিল, "তেনেস্থলত মই নিজেই অস্ত্ৰ হাতত ল'ম আৰু বৈজয়ন্তৰ

প্ৰতাপ চহৰীয়া

ৰজাক সমুচিত শিক্ষা দিম।"

ঠিক সেই সময়তে তাত উপস্থিত হ'লহি প্ৰাজ্ঞ পণ্ডিত ভুলোকস্বামী। ভুলোকস্বামী আছিল বৈজয়ন্তদেশৰো ৰাজগুৰু। সুমন্ত্ৰ-মহাৰাজে ৰাজগুৰু ভুলোকক তেওঁৰ এই সমস্যাৰ কথা কোৱাত ৰাজগুৰু ভুলোকে ৰাজকুঁৱৰী ভানুমতীক মতাই অনালে আৰু ক'লে, "পাঁচ দিনৰ আগতে ভুবনবৰ্মাৰ সৈতে মোৰ সাক্ষাৎকাৰ হৈছিল। ভুবনবৰ্মা প্ৰকৃতপক্ষে নিৰহংকাৰী ৰজা। আৰু খোলোচাকৈ ক'বলৈ হ'লে—ভুবনবৰ্মা হ'ল প্ৰকৃত বিনয়ী। কথাই কথাই তেওঁ তোমাৰ কথাও মোক কৈছিল, তোমাৰ ৰূপ-গুণৰ ভুৰি ভুৰি প্ৰশংসা কৰিছিল। তেওঁ তেওঁলোকৰ পিতৃপুৰুষৰ তথা বংশৰ ঐতিহ্য অনুসাৰেই তোমাক বিবাহ কৰিবলৈ পত্ৰ প্ৰেৰণ কৰিছে, অহংকাৰ প্ৰকাশ কৰাৰ কাৰণে নহয়। ভুবন যিকোনো ফালৰপৰাই যে তোমাৰ যোগ্য পাত্ৰ—এই কথাত মোৰ অণুমাত্ৰ সন্দেহ নাই। ভুবন অহংকাৰী নহয়, কিন্তু তোমাৰ প্ৰত্যাখ্যানে তেওঁক অহংকাৰী কৰি তুলিব পাৰে।"

ভানুমতীয়ে ক'লে, "তাৰ বাবে মই মুঠেই ভীত নহওঁ। মই আজিয়েই তেওঁলৈ ভৰ্ৎসনা-পত্ৰ পঠাই দিম।"

ৰাজকুঁৱৰীৰ কথাত ৰাজগুৰু ভুলোক-স্বামীয়ে মিঠাকৈ হাঁহিলে আৰু ক'লে, "পুত্ৰী, খৰধৰ নকৰা। এনেহেন সুযোগ্য পাত্ৰ ক'তো নাপাবা, গতিকে—অৱহেলা নকৰাই ভাল। বৰঞ্চ কাম এটা কৰা। তুমি তোমাৰ সখিয়েৰ এজনীক লগত লৈ মোৰ আশ্ৰমলৈ আহাঁ। মই ভুবনকো তাতেই মতাই অনাম, তোমালোকৰ দুয়োজনৰ মাজত দেখাদেখি হ'ব। তাৰ পাছতো যদি ভুবনবৰ্মাৰ সম্পৰ্কে তোমাৰ মনত বিৰূপ ভাব ওপজে, মই ভুবনক সতৰ্ক কৰিম, তোমাৰ বিষয়ে আৰু কেতিয়াও

যোগাযোগ নকৰিবলৈ। হ'বনে ?"

তাৰ পাছত, ভুলোকস্বামীয়ে কৈ যোৱা নিৰ্ধাৰিত দিনত সখিয়েক বিনয়াক লগত লৈ ৰাজকুঁৱৰী ভুলোকস্বামীৰ আশ্ৰমলৈ গ'ল। তাত দুটা দিন এনেয়ে থাকিল। তাৰ পাছত ভুলোকস্বামীয়ে ৰজা ভুৱনবৰ্মালৈ বাতৰি পঠালে আৰু ভুৱনবৰ্মাই ৰাজগুৰুৰ আহ্বান পই তৎক্ষণাৎ অশ্ৰমলৈ আহিল।

ভুলোকস্বামীয়ে ৰজা ভু ৱ ন ব ৰ্মা ক কিবাকিবি ক'লে আৰু তেতিয়া ভুৱনবৰ্মাই ৰাজকুঁৱৰীৰ সৈতে বাৰ্তালাপ কৰাৰ বাবে আশ্ৰমৰ উদ্যানলৈ বুলি খোজ ল'ল।

তেতিয়া ভানুমতীয়ে তেওঁৰ সখিয়েক বিনয়াক ৰাজ-সাজপাৰেৰে সজ্জিত কৰি, তেওঁৰ নিজৰ অলংকাৰাদি পিন্ধাই, নিজে অতি সাধাৰণ কাপোৰ-কানি পিন্ধি বিনয়াৰ কাষতেই বহি আছিল।

ভুৱনবৰ্মাই বিনয়াকেই ৰাজকুঁৱৰী ভাবি বিনয়ৰ অপৰূপ সৌন্দৰ্য্যত মোহ হৈ বিনয়াক ক'লে, "ইমান দিন ধৰি তোমাৰ ৰূপ-গুণৰ খ্যাতি কেৱল শুনিছিলোঁ, আজিহে সেই খ্যাতিৰ মৰ্ম বুজিলোঁ। মোকো লাজ নকৰাকৈ চাই লোৱা, আৰু যদি বিবাহত আপত্তি নাই—অকপটে কোৱাঁ। যদি মত নাই, তোমাৰ পিতাশ্ৰীলৈ লিখা পত্ৰ মই ঘূৰাই ল'ম। তোমাক স্বচক্ষে দেখাৰ পাছত মই তোমাৰ



যোগ্য নহওঁ বুলি যেন পাইছোঁ।"

ভুৱনবৰ্মাই বিনয়াৰ সৈতে কথা পতাত ইমানেই মগ্ন হৈ আছিল যে--প্ৰকৃত ৰাজকুঁৱৰী ভানুমতীলৈ তেওঁ ঘূৰিও চোৱা নাছিল। ভানুমতী হঠাৎ উঠি থিয় হৈ সাউতকৰে তাৰপৰা গুচি গ'ল। ভুৱনবৰ্মা তেতিয়ালৈকো বিনয়াক কিবাকিবি কৈ আছিল একমনে।

ভুলোকস্বামীয়ে ৰাজকুঁৱৰীক অকলশৰে দেখা পাই কিঞ্চিত অবাক হ'ল। তেওঁৰ প্ৰশ্নৰ উত্তৰত ৰাজকুঁৱৰীয়ে ক'লে, "ভুৱনবৰ্মাই বিনয়াকে ৰাজকুঁৱৰী বুলি ভাবি মোৰ পিনে ঘূৰিও চোৱা নাই। তেওঁ বিনয়াৰ সৌন্দৰ্য্যেতে বিভোৰ !"

"হয়নে—? মই যেতিয়া তোমালোকক একেলগে দেখিছিলোঁ, তেতিয়া—বিনয়া তোমাতকৈও দেখাত ভাল বুলি মোৰো ধাৰণা হৈছিল !"

ৰাজগুৰু ভুলোকৰ কথাত ৰাজকুঁৱৰী ভানুমতীয়ে তীব্ৰ কণ্ঠেৰে কৈ উঠিল, "এয়া সৌন্দৰ্য্যৰ মহয়, অলংকাৰৰহে মহিমা।"

ৰাজগুৰু ভুলোকে মিঠাকৈ হাঁহিবে ক'লে, "এতিয়া যদি ভুৱনবৰ্মাই বিনয়াক বিয়া কৰায়— কথাটো— কেনে হ'ব ? আৰু—তেতিয়া বিনয়ায়েই ৰাজবংশীয় হৈ নপৰিবনে ? বিনয়ায়েই তোমাতকৈ অধিক সুন্দৰী বুলি খ্যাত নহ'বনে ?"

এইবাৰ ভানুমতীয়ে কৈ উঠিল. "মোৰ বৰ ভুল হ'ল। মই এতিয়াই ৰজা ভুৱনক সকলো কথাৰ ভু দিমগৈ।"

"শুনা, সঁচা কথাই সদায় সুফল নিদিয়ে। তোমাৰ কাণ্ড-কাৰ্যনাৰ কথা শুনি ভুৱন বিৰক্ত হ'ব পাৰে। তুমি মনে মনে থাকা. মই যি কৰোঁ কৰিম।"

দুয়ো ভুৱনবৰ্মাৰ ওচৰলৈ গ'ল।

তেতিয়া ভুৱনবৰ্মাই বিনয়াক কৈ আছিল, "মই ইমানপৰ ধৰি ইমান কথা ক'লোঁ. ক'তা, মোৰ অত কথাৰ উত্তৰত তুমি একোৱেই নক'লা দেখোন !"

ৰাজগুৰুৱে ক'লে. "ভুৱন, সেইজনী ৰাজকুঁৱৰী নহয়. সেইজনী হ'ল ৰাজকুঁৱৰীৰ সখিয়েক—বিনয়া। এওঁ হ'ল ৰাজকুঁৱৰী।"

ভুৱনবৰ্মাই উচপ খাই উঠি ভানুমতীলৈ চালে আৰু তাৰ পাছত ক'লে. "তেনেহ'লে —এয়ানো কেনেকুৱা ভাওনা ?"

ভুলোকস্বামীয়ে ক'লে, "কথা হ'ল— বিনয়াৰ বহুদিনৰ চখ—এদিন ৰাজকুঁৱৰীৰ সাজ-পাৰ পিন্ধিব। কিন্তু ৰাজপ্ৰাসাদত— অন্তেষপুৰত তো এই কাম সম্ভৱ নহয়, লোটিয়ে গম পাব, গম পালে বহিষ্কৃত ব। গতিকেই—ইয়াত সেই চখ যেতিয়া পূৰাইছিল, ঠিক তেতিয়াই তুমিও ওলাইছিলাহি। এই বিপত্তি এইখিনিতে হ'ল।"

"কিন্তু—মোক সতৰ্ক কৰাহেঁতেন মই হাঁহিয়াতৰ পাত্ৰ হোৱাৰপৰা—"

ৰাজগুৰুৱে হাত দাঙি ভুৱনবৰ্মাক ৰখাই ক'লে. "তোমাৰ কথা ঠিক। পিছে তুমি ইয়ালৈ আহিবা বুলি ৰাজকুঁৱৰীয়ে জনা নাছিল. পিছে—ৰাজকুঁৱৰীক চিনি নোপোৱাটো তোমাৰ পক্ষে অযোগ্যতাৰেই পৰিচায়ক। সৌন্দৰ্য্যৰ প্ৰবল মোহয়েই দৰাচলতে তোমাক হাঁহিয়াতৰ পাত্ৰ কৰি তুলিছে. ৰাজকুঁৱৰীয়ে নহয়।"

ভুৱনবৰ্মাই নিজৰ ভুল বুজি পাই ৰাজকুঁৱৰী ভানুমতীক ক'লে, "মই অতি অহংকাৰী। মই নিজতকৈ ডাঙৰ বুলি

কাকে ভাবা নাছিলোঁ। তোমাৰ ইচ্ছা অনিচ্ছাৰ কথা নভবাকৈয়েই তোমাক বিবাহৰ কৰাৰ সংকল্প কৰিছিলোঁ। কিন্তু এতিয়া দেখিছোঁ মই তোমাৰ যোগ্য নহওঁ। মোক ক্ষমা কৰা। মই তোমাৰ দেউতাৰাৰ পঠোৱা পদ ঘূৰাই ল'ম।"

"ওঁ, সেয়ে ঠিক হ'ব; কিয়নো— সৌন্দৰ্য্যত মোতোকৈ মোহনীয় হ'ল মোৰেই সখি বিনয়া।" ভানুমতীয়ে ক'লে।

"তুমি তোমাৰ সখিয়েৰাক নিজৰ দৰে সজালা, নিজৰ কাষত বহুৱলা। তাতকৈ অধিক উদৰতা-নিৰহংকাৰিতা আৰু কি হ'ব পাৰে? তোমাৰ এনেবোৰ সদগুণৰ তুলনাত ৰূপ-সৌন্দৰ্য্যৰনো কি দাম? আচলতে—ময়েই তোমাৰ যোগ্য নহওঁ।"

ভানুমতীয়ে কিবা ক'বলৈ নৌপাওঁতেই ৰাজগুৰু ভুলোকে কৈ উঠিল, "দুয়ো দুয়োৰো বাবে অযোগ্য বুলি কৈছা যে—এয়ে হ'ল তোমালোৰ আত্ম-অহংকাৰ পৰিত্যাগৰ স্পষ্ট প্ৰমাণ। এতিয়া তোমালোক নিজ নিজ প্ৰাসাদলৈ উভতি যোৱা আৰু বিবাহৰ বাবে প্ৰস্তুত হোৱা। তোমালোকৰ বিবাহত ময়ো ভোজ খাবলৈ যাম।" ৰাজগুৰুৱে মধুৰ মধুৰ হাঁহিলে।

ভুৱনবৰ্মাই ভুলোকস্বামীক প্ৰণাম কৰি গুচি গ'ল।

ৰাজকুঁৱৰী ভানুমতীয়ে ভুলোকস্বামীক ক'লে, "কিন্তু তেওঁ আছিল বিনয়াৰ ৰূপমুগ্ধ। আৰু—তাই প্ৰকৃততেই সুন্দৰী। মোৰ নিৰহংকাৰিতাৰ তেওঁ যে শলাগ ল'লে—সেয়া সৰ্বাংশে সত্য নহয়। গতিকে —তেওঁ বিনয়াক বিবাহ কৰাব লাগে।"

ভুলোকস্বামীয়ে ক'লে, "পুত্ৰী, বিনয়াৰ কাৰণে চিন্তিত হ'ব নালাগে। সেনাপতি পদ্মনাভৰ পুত্ৰই বিনয়াক বিবাহ কৰিব। এতিয়া তোমাৰ চিন্তা গুচিলনে—?"

ভানুমতীয়ে ৰাজগুৰু ভুলোকৰ পদধূলা মূৰত লৈ তলমূৰ হৈ মিঠাকৈ হাঁহিলে।



২

[আগৰ কথা : ট্ৰয় নগৰীৰ ৰজা মৰ্দনৰ প্ৰথমজাত পুত্ৰক বাধ্যত পৰি বধিবৰ বাবে তেওঁৰ পশুপালকৰ হাতত দিছিল। কিন্তু পশুপালক ছবিনাই ইমান লৱণুকোমল ল'ৰা এটিক আপোন হাতেৰে বধিব নোৱাৰি এৰি থৈ আহিছিল পাহাৰৰ ওপৰত। দৈৱক্ৰমে এক ভল্লুকীয়ে পোহ-পাল দিয়াত ল'ৰাটি ৰক্ষা পৰিল আৰু পশুপালক ছবিনাই তাৰ নাম দিলে মোহন। মোহনোও হ'ল পশুপালক কিন্তু এদিন দেৱৰাজ ইন্দ্ৰৰ আদেশ মতে দেৱলোকৰপৰা তিনিজনী অপ্সৰী পশুপালক মোহনৰ ওচৰত আহিল আৰু সেই অপ্সৰীইতৰ মাজত কামিনী নামৰ এজনীয়ে মোহনৰ জীৱনৰ সোঁত ঘূৰাই দিলে—ভুৱনসুন্দৰী তথা 'অতুল-সুন্দৰী'ৰ প্ৰলোভনেৰে। আৰু তাৰ পাছত......

ৰজা মৰ্দনে তেওঁৰ সেই প্ৰথমজাত পুত্ৰটিক পশুপালক ছবিনাৰ হাতত গটাই দিয়াৰপৰা বছৰি এবাৰকৈ পুত্ৰৰ স্মৃতিক অতি সংগোপনে স্মঁৰিছিল। কিন্তু পশুপালক ছবিনাই ৰজাক এই বিষয়ে ভাল-বেয়া একোৰেই কোৱা নাছিল।

ইপিনে মোহনে কামিনীক স্বৰ্ণফল দিয়াত কামিনীয়ে মোহনক দিলে অতুল-সুন্দৰীক লাভ কৰাৰ বৰ। আৰু সেই বৰৰ প্ৰভাৱত মোহনে—সামান্য চৰাওঁতা যুৱক এজন হোৱা সত্বেও ভাৱিছিল—সি এদিন নহয় এদিন পাব হৈ সকলো ছুতৰ-অথন্তৰ

'ট্ৰয়-গ্ৰীছ বিসম্বাদ'

পাবই পাব সেই অতুল-সুন্দৰীক।

এইবাৰ মহাৰাজ মৰ্দনে তেওঁৰ প্ৰথমজাত পুত্ৰটিৰ স্মৃতিত ৰাজধানীত স্মৰণোৎসৱৰ আয়োজন কৰিছিল আৰু সেই উৎসৱৰ কথাত উৎসাহিত হৈ মোহনেও ট্ৰয় নগৰীলৈ যাবলৈ সাজু হৈছিল। কিন্তু ছবিনাই মোহনক বাধা দিছিল, কৈছিল, আমাৰ দৰে চৰাওঁতা-হঁতৰ কাৰণে তেনেহেন উৎসৱ নহয়, ডাঙৰ-ডাঙৰ ডাঙৰীয়াহঁতৰহে উৎসৱ।

কিন্তু মোহনে সেই কথা নামানিলে, সি ট্ৰয়ৰ উৎসৱ চাবলৈ ৰাজধানীলৈ গ'ল।

এই উৎসৱ উপলক্ষে তাত বিভিন্ন বিষয়ৰ প্ৰতিযোগিতা অনুষ্ঠিত হৈছিল। মল্লযুদ্ধ-প্ৰতিযোগিতা, দৌৰ-প্ৰতিযোগিতা, আৰু অন্যান্য ৰকম-বিৰকম প্ৰতিযোগিতা।

যুৱক মোহনে মল্লযুদ্ধৰ প্ৰতিযোগিতাত ভাগ ল'লে, আৰু সকলো প্ৰতিযোগীক হৰুৱাই বিজয়-মুকুট লভিলে। আৰু পাছত দৌৰ-প্ৰতিযোগিতাতো সকলোকে পিছে পেলাই সৰ্বশ্ৰেষ্ঠ প্ৰতিযোগী হিচাপে বিজয় মুকুট অধিকাৰ কৰিলে।

এইদৰে, এক সম্পূৰ্ণ অজ্ঞাত-অখ্যাত যুৱকে প্ৰতিযোগিতাত দ্বি-মুকুটৰ অধিকাৰী হোৱাত মহাৰাজ মৰ্দনৰ অন্যতম পুত্ৰ বীৰ্দমন বিক্ষুব্ধ হৈ উঠিল। বীৰ্দমনে মোহনক কুস্তি-প্ৰতিযোগিতালৈ আহ্বান জনালে, আৰু মোহনেও সেই আহ্বান



গ্ৰহণ কৰি প্ৰতিজন প্ৰতিযোগীক আৰু বীৰ্দমনকো বেয়াকৈ পৰাজিত কৰি তৃতীয় বিজয় মুকুট অধিকাৰ কৰিলে।

এইবাৰ আৰু বিক্ষুব্ধ নহয়, বীৰ্দমন অতিপাত ক্ৰুদ্ধ হৈ উঠিল, আৰু মোহনক যেনেতেনে হত্যা কৰিবলৈ সাজু হ'ল। পশু-ৰাখীয়া মোহন যাতে ইয়াৰপৰা গুচি নাযায়, বা সি যাতে পলাই যাব নোৱাৰে — তাৰ বাবে ৰাজকোঁৱৰ বীৰ্দমনে সৈন্যইতক যথোচিতভাবে সতৰ্ক কৰিলে, আৰু বীৰ্দমনে তেওঁৰ ভায়েক যিহনকো তৰোৱাল হাতত লৈ তেওঁৰ লগ লাগি মোহন-সংহাৰত ওলাবলৈ ক'লে।

শুনাত বিচিত্ৰ যেন বোধ হলেও— মোহন আৰু যিহন আছিল একেই পিতৃ-মাতৃৰ সন্তান; কিন্তু দুজনৰ এজনেও এই কথা নাজানিছিল।

এইবোৰ ঘটনাৰ সন্দেহ পাই— মোহনৰ পালক পিতা পশুপালক ছবিনাই মহাৰাজৰ ওচৰলৈ দৌৰি গ'ল আৰু মহাৰাজৰ আগত আঁঠু লৈ ক'লে, "মহাৰাজ! মোহনক ৰক্ষা কৰক। মোহন —আপোনাৰেই পুত্ৰ। হে মহাৰাজ!"

শুনি মহাৰাজ মৰ্দন বিস্মিত—অভিভূত; কিন্তু তেওঁ নিজক সংযত কৰিলে। তেওঁ তেওঁৰ পশুপালকক কৰ্কথনা-ভৰ্ৎসনা একোৱেই নকৰিলে, বৰঞ্চ—এদিন মৃত্যুৰ গহ্বৰলৈ নিজেই নিক্ষেপ কৰা পুত্ৰটিক

ঘূৰাই পাই তেওঁ অতি প্রসন্নহে হ'ল।

মহাৰাজ মৰ্দনে তৎমুহূৰ্ত্তেই আদেশ জাৰী কৰিলে যে মোহনৰ সম্মানাৰ্থে ৰাজকীয় ভোজৰ আয়োজন কৰা হওক আৰু ৰাজ্যৰ সকলো দেৱ-দেৱীলৈ পশু বলি আগ কৰা হওক।

কিন্তু ৰাজ পুৰোহিতে মহাৰাজ মৰ্দনক সতৰ্ক কৰিলে, "মহাৰাজ, মোহনক এইক্ষণে বধ কৰক, নহ'লে এনেহেন সুন্দৰী ট্ৰয় নগৰীৰ ধ্বংস—অনিবাৰ্য্য।"

"ইমান সুন্দৰ-সুযোগ্য পুত্ৰৰ পৰিবৰ্ত্তে ট্ৰয় যদি ধ্বংস-বিধ্বংসও হয়—হওক।" মহাৰাজ মৰ্দনে গৌৰৱে ক'লে। আৰু আনন্দ-উৎসৱৰ কাৰ্য্যক্রমত অটল থাকিল।

কিছুদিনৰ অন্তত হঠাৎ এদিন মহাৰাজ মৰ্দনৰ ভনীয়েক মাৰিনাক গ্রিকহঁতে অপহৰণ কৰি লৈ গ'ল, আৰু গ্রিছদেশলৈ বাৰে বাৰে কটকী পাঠিয়ায়ো সুন্দৰী মাৰিনাক ঘূৰাই আনিব নোৱাৰি অৱশেষত ট্ৰয়ে গ্রিহৰ বিৰুদ্ধে যুদ্ধ ঘোষণাৰ কথা মন্ত্রিমণ্ডলীত আলচা হ'ল আৰু মোহনৰ ইচ্ছাক্রমে অপাৰ সাহসী মোহনক এই যুদ্ধৰ নেতৃত্ব প্রদান কথাও স্বীকৃত হ'ল।

মোহনে মহাৰাজক তথা মন্ত্রিমণ্ডলীক ক'লে, "মোৰ নৌসেনা আৰু স্থলসেনা লাগে। আপোনালোকে মোৰ শক্তিৰ ওপৰত পূৰ্ণ আস্থা ৰাখিব পাৰে, মই মাৰিনাপেহীক ঘূৰাই আনিমেই। যদি নোৱাৰোঁৱেই, গ্রিছ দেশৰ কোনোবাজনী ৰাজকুঁৱৰীক অপহৰণ কৰি লৈ আহিম।"

আৰু— যিদিনা এই পৰামৰ্শ-সভা অনুষ্ঠিত হৈছিল, ঠিক সেইদিনাই স্পাৰ্টাৰ সেই অতুলসুন্দৰী কাছান্দ্রাৰ পতি ক্রোটো স্পাৰ্টাৰপৰা ট্ৰয় পাইছিলহি। স্পাৰ্টাত অকস্মাৎ মাউৰে মূৰ দাঙিছিল। ট্ৰয়ৰপৰা কিছুমান মানুহক তেওঁ অপহৰণ কৰি লৈ যাব— বলি আগ কৰিবলৈ — তেতিয়া স্পাৰ্টাৰ ক্রুদ্ধা দেৱী শান্ত হ'ব।

ট্ৰয়লৈ অহাৰ পাছত মোহনৰ লগতে

ক্রেটোৰ বন্ধুতা হ'ল। আৰু মোহনে ক্রেটোক ক'লে, "স্পার্টালৈ যোৱাৰ মোৰ বৰ মন যায়, স্পার্টাৰ দেৱ-দেৱীসকলৰ পূজা কৰি পুণ্যলাভৰ ইচ্ছা আছে। তোমাৰ সৈতে বন্ধুতা হ'ল, ভালেই হ'ল।"

মোহনৰ কথাত ক্রেটোই বৰ ভাল পালে। মোহনৰ ইচ্ছানুসাৰে মহাৰাজ মৰ্দনে মোহনৰ কাৰণে ভাল ভাল নাৱৰ বন্দৱস্ত কৰি দিলে। মোহনৰ সৈতে ক্রেটোও একেইখন নাৱতে বহিলগৈ আৰু কেইদিনমানৰ অন্তত স্পার্টা পালেগৈ। ৰাজপুত্ৰ মোহনক ক্রেটোই তেওঁৰ সুৰম্য প্ৰাসাদতে আলহীৰূপে আদৰিলে।

মোহনে অতুলসুন্দৰী কাছান্দ্ৰালৈ মনোৰঞ্জক উপহাৰ-সামগ্ৰী লৈ আহিছিল। সেইবোৰ উপহাৰ-সামগ্ৰী মোহনে নিজেই অতুলসুন্দৰীক দিলে আৰু তেতিয়া অতুলসুন্দৰী কিয় যে অতুল-অতুলন—সেই কথা দেহে-মনে উপলব্ধি কৰিব পাৰিলে।

অতুলসুন্দৰী কাছান্দ্ৰালৈ এবাৰমাত্ৰ দৃষ্টিপাত কৰিয়েই মোহনৰ উপলব্ধি হ'ল: অতুলসুন্দৰীক নাপালে জীৱন অৰ্থহীন।

মোহনে তেতিয়াই অপ্সৰী কামিনীক সুঁৱৰিলে আৰু ভাবিলে: যেনেকৈয়েই নহক — অতুলসুন্দৰীক ট্ৰয়লৈ লৈ যাব লাগিব। নহ'লে জীৱন হ'ব মৰুভূমি।

আৰু অপেশ্বৰী কামিনীৰ অপ্ৰত্যক্ষ প্ৰভাৱত অতুলসুন্দৰী কাছান্দ্ৰাও নয়ন-মোহন মোহনৰ প্ৰতি মনে-চিতে আকৃষ্ট হৈ পৰিল আৰু মোহনক নাপালে জীৱন ধূসৰ বুলি ভাবি থাকিল।

স্পার্টাত ক্রেটোৰ আলহী হৈ মোহন ন দিন থাকিল। ইতিমধ্যে — হঠাৎ ক্রেটোই ক্রিট দ্বীপলৈ যাবলগীয়া হ'ল। ক্রেটোৰ ককায়েক ঢুকাল। গতিকে তালৈ নোযোৱাকৈ উপায় নাছিল।

মোহনে ভাবিলে: এয়া নিশ্চয়েই অপেশ্বৰী-কামিনীৰ প্ৰভাৱত হৈছে। গতিকে—আৰু পলম কৰিব নালাগে।

CHITRA

আৰু সেই নিশাই মোহন আৰু কাছান্দ্ৰা নাৰত উঠিলগৈ। আটাইবোৰ নাও—অতল-সমুদ্ৰৰ সীমাহীন পানী ফালি ফালি ট্ৰয়লৈ বুলি গৈ থাকিল। মোহনে অতুলসুন্দৰীৰ সৈতে আনন্দত মগন হ'ল।

ক্ৰেটো ক্ৰিটদ্বীপৰপৰা উভতি আহি সকলো কথাৰ সম্ভেদ পাই, মোহনৰ ছল-চন্দৰ স্পষ্ট প্ৰমাণৰে সৈতে তেওঁৰ আন এজন ককায়েকৰ ওচৰলৈ লৰি গ'ল আৰু ট্ৰয়ৰ বিৰুদ্ধে যুদ্ধ ঘোষণাৰ বাবে অনুৰোধ জনালে।

ক্ৰেটোৰ ককায়েক ৰজা প্ৰেটোৱে ক্ৰেটোক ক'লে, "খৰখেদা নকৰিবা। মই ট্ৰয়লৈ দূত প্ৰেৰণ কৰি কাছান্দ্ৰাক যদি ওভোতাই আনিব নোৱাৰোঁ, তেতিয়া অৱশ্যেই যুদ্ধ ঘোষণা কৰা হ'ব।"

মহাৰাজ মৰ্দনে ৰজা প্ৰেটোৰ দূতক ক'লে, "আপোনাৰ কথা মোৰ বোধগম্য হোৱা নাই, কিয়নো, মই এই বিষয়ে একোৰেই অদ্যাপি নাজানো। গতিকে—এই বিষয়ে কবিবলগীয়া একো নেদেখোঁ। আৰু—মোহনে যদি কাছান্দ্ৰাক অপহৰণ কৰিছেই, তথাপি মই কিয় কাছান্দ্ৰাক ওভোতাই পঠাম? মোৰ ভগ্নী মাৰিনাক গ্ৰিকইঁতে ওভোতাই পাঠালেনে?"

ৰজা প্ৰেটোৰ দূত শূন্যহস্তে উভতি গ'ল, আৰু ঠিক তেতিয়াই অতুলসুন্দৰী সৈতে মোহনও ৰাজসভালৈ আহিল।

আৰু এনে অদ্ভুত-আচৰিত সৌন্দৰ্য্য-ৰতীক চাই—সভাস্থ সকলোটিয়েই মোহনৰ নামত জয়ধ্বনিহে দিলে।

তাৰ পাছত মোহনৰ সৈতে অতুল-সুন্দৰী কাছান্দ্ৰাৰ বিবাহ মহা পয়োভৰেৰে পতা হ'ল। মহাৰাজ মৰ্দনে প্ৰকাশ্য ঘোষণা কৰিলে: গ্ৰিকইঁতে অতুলসুন্দৰীক লৈ যোৱাৰ প্ৰচেষ্টাক মই মযিমূৰ কৰিম। ধ্বংস হ'ম সি-ও ভাল—তথাপি গ্ৰিকইঁতলৈ আগ নকৰোঁ সন্ধিৰ থাল।" [আগলৈ

সম্বাদ-বিচিত্ৰা

পোপ, পাপ আৰু পৰাচিত

কেৱল ষ্টাম্প-সংগ্ৰহকাৰীসকলৰ নহয়, ভূগোলৰ ছাত্ৰ (তাৰ মানে—সৌটিয়েই, নহয়নে ?) সকলে জানে যে পৃথিৱীৰ ক্ষুদ্ৰতম দেশ ভেটিকানৰ পোপে ১৭ শতিকাৰ ইতালীয় জ্যোতির্বিদ গালিলেঅ' গালিলেইৰ সন্মানাৰ্থে দুখন ডাকটিকেট প্ৰকাশ কৰিলে। এইগৰাকী মহান দাৰ্শনিক জ্যোতির্বিদক তেওঁৰ মতামতৰ বাবে পোপেই দণ্ডিত কৰিছিল। এই অসাধাৰণ জ্যোতির্বিদগৰাকীৰ অন্যতম আৱিষ্কাৰ আছিল এয়ে যে—ৰোমান ক্যাথলিক চাৰ্চৰ মতে সৌৰজগতৰ কেন্দ্ৰবিন্দু পৃথিৱী নহয়, সৌৰজগতৰ কেন্দ্ৰবিন্দু হ'ল সূৰ্য্য। এই মতামতৰ বাবে গালিলেঅ'ক কদৰ্থনা কৰা হ'ল আৰু তেওঁক তেওঁৰ এই মতামত প্ৰত্যাহাৰ কৰাৰ বাবে হুমিউৰা হ'ল। কিন্তু তেওঁ সত্য মতামত



প্ৰত্যাহাৰ নকৰাত, ১৬৩৩ চনত তেওঁক যাৱজ্জীৱন কাৰাদণ্ডেৰে দণ্ডিত কৰা হ'ল আৰু কিছু দিনৰ পাছত তেওঁক কৰা হ'ল গৃহবন্দী। গৃহবন্দী কৰাৰ আঠ বছৰৰ অন্তত ১৬৪২ চনত তেওঁৰ মৃত্যু হ'ল। গালিলেঅ'ৰ আৱিষ্কাৰ সমগ্ৰ বিজ্ঞান-জগতে স্বীকাৰ কৰিছিল, যদিও অতি পৰিতাপৰ কথা, ধৰ্মীয় প্ৰবক্তা পোপে তেওঁক সত্যৰ প্ৰচাৰৰ বাবেই দণ্ড প্ৰদান কৰিছিল। আৰু সেই একেই ধৰ্মমতৰ বৰ্তমান প্ৰবক্তা আজিৰ পোপ মহোদয়ে চাৰে তিনিশ বছৰৰ পাছত সত্যৰ বিৰুদ্ধে সিজন পোপৰ পাপৰ পৰাচিত কৰি সিদিনাৰ সেই সত্যৰ কাৰণে দণ্ডিতলৈ আগ বঢ়াইছে সন্মানৰ শৰাই !

চিম্প্যানজি, মানুহ আৰু পূৰ্বপুৰুষ

এটা বিৰাট দাঁতৰ জীৱাশ্মৰ (fossil) পৰা বিজ্ঞানীসকলে বিচাৰি পালে বিৰাট চিম্প্যান্জি (chimpanzee) এটাৰ জঁকা। এই জঁকাটি



হ'ল চিম্প্যান্জি আৰু প্ৰথম মানৱৰ মাজৰ যোগসূত্ৰ, মানুহৰ প্ৰকৃত পূৰ্বপুৰুষ। তেওঁলোকৰ মতে, এই অৰ্ধপশু-অৰ্ধমানৱ চিম্প্যান্জি ইথিঅ'পিয়াৰ (আফ্ৰিকা) মহাৰণ্যত ৪,৪০০,০০০ আগতে বিচৰণ কৰিছিল। ক্যালিফ'ৰ্নিয়া বিশ্ববিদ্যালয়ৰ মি. টিম হোৱাইটৰ মতে : "এনেহেন অমূল্য প্ৰমাণসহ মানৱৰ পূৰ্বপুৰুষৰ জঁকা মহাৰণ্যৰ পৰিবেশত পৃথিৱীৰ ইতিহাসত এয়ে প্ৰথম প্ৰাপ্তি।" তেওঁৰ তত্ত্ব হ'ল, এই জীৱটিয়েই আছিল মানুহ আৰু চিম্প্যান্জিৰ শেষ পুৰুষ। মানুহৰ সৈতে-সম্পৰ্ক গৰিলাতকৈ চিম্প্যান্জিৰ সৈতেহে অধিক বুলি মি. হোৱাইটে মত প্ৰকাশ কৰিছে।

তন্ত্ৰ মন্ত্ৰ আৰু বাস্তৱতা

তথাপি প্ৰতিজ্ঞাত অটল বিক্ৰমাদিত্য নদমিল। পুনৰ সেই গছৰ ডালৰপৰা মৃতদেহটো নমাই আনি কান্ধত কঢ়িয়াই লৈ গৈ থাকিল ভূত-প্ৰেতৰ আবাসস্থল মৰিশালিলৈ বুলি। তেওঁৰ প্ৰতিজ্ঞা : উদ্দেশ্য-সাধন কিম্বা শৰীৰ-পতন। তেতিয়া মৃতদেহৰ মাজেত থকা বেতালে কৈ উঠিল, "হে ৰজা, তুমি যদি কোনোবা তান্ত্ৰিকৰ উপদেশ মতে যুগ যুগ ধৰি এই কাম কৰি আছা, তেনেহ'লে—হয়তো তোমাৰ এই অপাৰ ধৈৰ্য্য অপৰিসীম নিষ্ঠাও নিষ্ফল হ'ব। তান্ত্ৰিকহঁতৰ কথা সদায় ফলৱতী নহ'বও পাৰে আৰু স্বাৰ্থপৰ মিছা তান্ত্ৰিকও থাকিব পাৰে। গতিকে—ভাবি-চিন্তি এইবোৰ বিষয়ে সতৰ্ক হোৱাহে ভাল, নতু সেয়ে হ'ব পাৰে কাল। এই বিষয়ে প্ৰভাতনগৰ ৰাজ্যৰ ৰাজকোঁৱৰৰ কাহিনী কওঁ শুনা।" বেতালে কৈ থাকিল :

'বেতাল-কথা'

তেতিয়াৰ কালত অগ্নিমিত্ৰ আছিল প্ৰভাতনগৰ ৰাজ্যৰ ৰজা। তেওঁৰ একমাত্ৰ পুত্ৰসন্তান আছিল অজয়মিত্ৰ। ৰজা অগ্নিমিত্ৰই উদয়গিৰি ৰাজ্যৰ ৰাজকুঁৱৰীক বোৱাৰী ৰূপে ল'ব আৰু অজয়ৰ ৰাজ্যাভিষেক কৰিব বুলি স্থিৰ কৰিলে।

এদিন ৰাজকোঁৱৰ অজয় চিকাৰলৈ ওলাল আৰু বহুতো পৰলৈকে চিকাৰৰ অন্তত এজোপা বৰগছৰ ছাঁত জিৰণি ল'বৰ, মনেৰে বহিল। কিন্তু লগে লগে কোনোবা এঠাইৰপৰা কেঁকনিৰ শব্দ শুনি তেওঁ তৰোৱাল হাতত লৈ গৈ গৈ এটা গুহাৰ ভিতৰলৈ সোমাল।

গুহাৰ ভিতৰত নিমজ্জ এন্ধাৰ। এচুকত এটি ক্ষুদ্ৰ চাকি জ্বলি কাছিল আৰু তাত হৰিণাৰ ছাল পিন্ধা এজন বুঢ়া মানুহো বহি আছিল। মানুহজনে কেঁকাই আছিল, যেনিবা মৰিবলৈহে ওলাইছিল।

এই বৃদ্ধই অজয়ক দেখা মাত্ৰেই, কৈ উঠিল, "পুত্ৰ অজয়, তুমি সঠিক সময়তে আহিলা। মোৰ জীৱনৰ অন্তিম সময় চাপি আহিছে। যিকোনো মুহূৰ্তত মোৰ মৃত্যু হ'ব। অন্য দেহলৈ প্ৰবেশ কৰাৰ বিদ্যা মোৰ কৰায়ত্ত। মৃত্যুৰ আগতে এই বিদ্যা অন্য কাৰোবাক শিকাই থৈ যাম—এয়ে মোৰ সংকল্প। তোমাক মই সেই মন্ত্ৰ কওঁ, শুনা। ভালকৈ—মনপুতি শুনিবা।" বৃদ্ধাই তিনিবাৰলৈ সেই মন্ত্ৰ আওৰালে আৰু পুনৰ ক'লে, "পুত্ৰ, এই মন্ত্ৰ একেৰাহে তিনিবাৰলৈ মাতিব লাগে, এটা শব্দৰো ইফাল-সিফাল হ'ব নালাগে। —এতিয়া তুমি এই মন্ত্ৰ মাতোঁ, আৰু নিজ দেহ পৰিত্যাগ কাৰ মোৰ দেহৰ ভিতৰলৈ প্ৰবেশ কৰোঁ। মই পুনৰ মন্ত্ৰোচ্চাৰণেৰে এই জীৱাত্মা পৰিত্যাগ কৰিম আৰু তোমাক মোৰ দেহত লৈ ল'ম—যাতে তুমি অপৰিশ্ৰমেৰেই সিদ্ধ হৈ যাব পাৰা।"

অজয়ে এই প্ৰস্তাৱত স্বীকৃতি দিলে আৰু মন্ত্ৰখিনি তিনিবাৰলৈ নিৰ্ভুলভাবে

ক'তো নোৱোৰাকৈ মাতিলে আৰু লগে লগে ৰাজকোঁৱৰ অজয় সেই মৰণোন্মুখ বৃদ্ধ সিদ্ধ তান্ত্রিকৰ দেহৰ ভিতৰলৈ সোমাই পৰিল। আৰু বৃদ্ধ সিদ্ধ-তান্ত্রিকেও মন্ত্র মাতিলে আৰু তেওঁৰ আত্মা তেওঁৰ দেহ এৰি ওলাই অজয়ৰ আত্মাত মিলিল।

তাৰ ফলত সেই বৃদ্ধ সিদ্ধই যুৱা ৰাজকোঁৱৰলৈ পৰিৱৰ্তিত হ'ল আৰু ৰাজকোঁৱৰ অজয় হৈ পৰিল বৃদ্ধ।

বৃদ্ধ হোৱাৰ ফলত অজয়ৰ মন-প্ৰাণত অপৰিসীম অতৃপ্তিৰ সৃষ্টি হ'ল আৰু অজয়ৰূপী বৃদ্ধই যৌৱনৰ আনন্দ আহৰণ কৰিবলৈ সাজু হ'ল আৰু লগতে ইমান সহজতে ৰাজকোঁৱৰক ভাঁৰিব পৰাৰ বাবে মিচিক-মাচাককৈ হাঁহি থকা হ'ল।

সিদ্ধ বৃদ্ধৰূপী অজয়ে হাত যোৰ কৰি অজয়ৰূপী বৃদ্ধক ক'লে, "হে মহাত্মা, এতিয়া আপুনি আপোনাৰ পূৰ্বদেহ ধাৰণ কৰক, কাৰু মোৰ দেহ মোক ফিৰাই দিয়ক। গুহাৰ বাহিৰত সৈন্যইতে মোৰ কাৰণে নিশ্চয় ৰৈ আছে। অতি সত্বৰ মোৰ ৰাজ্যাভিষেক হ'ব আৰু উদয়গিৰি ৰাজ্যৰ ৰাজকঁৱৰীৰ সৈতে মোৰ বিবাহো হ'ব। গতিকে—মই যদি অনতিপলমে উভতি নাযাওঁ, সকলো লণ্ড-ভণ্ড হৈ যাব।"

এই কথা শুনি সিদ্ধ বৃদ্ধ তান্ত্রিক উচ্চকণ্ঠেৰে হাঁহি উঠিল আৰু ক'লে, "এতিয়া তুমি মোৰ ফান্দত। তোমাক মোৰ ফান্দ ফালি উলিয়াই নিব পৰা ক'তো কোনো নাই-নোলাব। প্ৰভাত-নগৰৰ ৰজা এতিয়া হ'ম—মই, উদয়গিৰিৰ সুন্দৰী ৰাজকুঁৱৰীকো বিয়া কৰাম—ময়েই। ৰাজকুঁৱাৰী মালৱিকা হ'ব মোৰেই অংকশায়িনী ৰাণী। হাঃ হাঃ হা—মই এতিয়া যাৱেঁই তেন্তে—মূৰ্খাদপি মূৰ্খ ৰাজকোঁৱৰ।" এই বুলি কৈ—সেই প্ৰতাৰক তান্ত্রিক গুহা এৰি গুচি গ'ল।

বৃদ্ধদেহী অজয়ও ৰাজধানীলৈ বুলি ৰাওনা হ'ল। খোজ কঢ়াত যদিও বৰ টান

পাইছিল, তথাপি অতি ধীৰ গতিৰে হ'লেও গৈ থাকিল। কিন্তু কিছুদূৰলৈ আগ বঢ়াৰ পাছত অজয় ভাগৰি পৰিল আৰু জিৰণি ল'বলৈ এজোপা গছৰ ছাঁত বহিবলৈ লওঁতেই তাত এটা মৰা ম'ৰাক দেখা পাই ভাবিলে যে এই ম'ৰা চৰাইৰ দেহত সোমাই উৰি উৰি ৰাজধানীলৈ যাব পাৰে। কিন্তু — মাত-বোল কৰিব কেনেকৈ ? গতিকে — এই চিন্তাৰপৰা বিৰত হ'ল সি।

ঠিক তেতিয়াই ঘোঁৰাত উঠি এজন মানুহ গৈ আছিল, বৃদ্ধৰূপী অজয়ে মানুহজনক ৰখালে আৰু প্ৰভাতনগৰলৈকে গৈ থকা মানুহজনক অনুৰোধ কৰাত মানুহজনে অজয়কো ঘোঁৰাত উঠাই ল'লে।

তাৰ পাছত— যেতিয়া ৰাজধানীৰ সীমা পালেগৈ তেতিয়া বৃদ্ধ অজয় ঘোঁৰাৰপৰা নামি গ'ল আৰু মানুহজনক এই সহায়ৰ বাবে অজস্ৰ ধন্যবাদ দিলে, আৰু মানুহজনে পুনৰ ঘোঁৰা চলাই দিলে।

তেতিয়া অজয়ে ভাবি থাকিল : এতিয়া কি কৰোঁ ? কেনেকৈ এনেহেন আচৰিত কথা বুজাই কওঁ। মোক তো কোনেও চিনিও নাপাব, বিশ্বাসও নকৰিব।

এনেতে কিছুমান মানুহ মৃত যুৱক এজনক শ্মশানলৈ বুলি কঢ়িয়াই লৈ যাবৰ ধৰিছিল আৰু অজয়ে তিনিবাৰ মন্ত্ৰ মাতি সেই মৃত যুৱকৰ দেহত সোমালগৈ।

যেতিয়া মৰা মানুহ জাগি উঠিল, তেতিয়া ভয় খাই সেই শৱ-বাহকহঁত ফেঁটীৰ মূৰ ছিঙা লৰ দি পলাল আৰু চিঞৰি চিঞৰি কৈ থাকিল, "মৰা বোবাটো দেখোন ভূত হৈ জাগি উঠিল ঐ—হেই পলা—পলা !"

এই যুৱকো বোবা। অজয় বিষাদগ্ৰস্ত হ'ল। তেওঁৰ এই চেষ্টাও যে ব্যৰ্থ হল— উপলব্ধি কৰিলে তেওঁ। মৃত বোবা যুৱকৰ হাতত আঙুলিত এটা সোণৰ আঙঠি আছিল। সেই আঙঠিটো সোণৰ

দোকানত বেচি--তাৰে অজয়ে এটা ভালৰো ভাল চাই ঘোঁৰা কিনি ল'লে।

তাৰ পাছত—ঘোঁৰাত উঠি বোবা যুৱকৰূপী ৰাজকোঁৱৰ অজয় উদয়গিৰিলৈ গ'ল আৰু ৰাজপ্ৰাসাদৰ প্ৰধান দুৱৰীক ইংগিতেৰে বুজাই ক'লে ৰজাৰ কাষ চপাৰ কথা। ভাগ্যক্ৰমে প্ৰধান দুৱৰীজন আছিল অতি ভাল, সেইহে তেওঁ বোবা অজয়ক ৰজাৰ কাষলৈ লৈ গ'ল।

তেতিয়া উদয়গিৰি ৰাজ্যৰ ৰজা ৰণবৰ্মাদেৱে বিখ্যাত জ্যোতিষ-শাস্ত্ৰী চৈতন্যদেৱৰ সৈতে বাৰ্তালাপ কৰি আছিল। বোবা অজয় ৰাজকোঁৱৰে নানান সংকেতেৰে ৰজা ৰণবৰ্মাক নিজৰ দুৰৱস্থাৰ কাহিনী বুজাই ক'লে আৰু ৰণবৰ্মাদেৱেও ভাগ্যক্ৰমে বোবা অজয়ৰ কথাখিনি বুজি পালে আৰু বুজাত জ্যোতিষশাস্ত্ৰী চৈতন্যদেৱেও ৰণবৰ্মাক পাৰ্শ্বমানে সহায় কৰিলে।

ৰজা ৰণবৰ্মাই তেওঁৰ ভৱিষ্যৎ-জোঁৱায়েকৰ এই বিষম কাহিনী শুনি ক্ৰোধত অগ্নিবৰ্ণ হৈ উঠিল আৰু তেতিয়াই দীৰ্ঘ পত্ৰ লিখি ৰাজকোঁৱৰ অজয়ৰ পিতৃ প্ৰতাপনগৰৰ মহাৰাজ অগ্নিমিত্ৰৰ ওচৰলৈ পঠালে।

ঘটনাৰ কথা জানি মহাৰাজ অগ্নিমিত্ৰই তৎক্ষণাৎ সৈন্যহঁতক ৰাজকোঁৱৰৰূপী বৃদ্ধ সিদ্ধ প্ৰতাৰক তান্ত্ৰিকক বন্দী কৰাৰ কটকটীয়াকৈ বাবে আদেশ দিলে।



ঘটনা যে সদৰি হৈ পৰিল, সেই কথা বুজি পাই ৰাজকোঁৱৰ অজয়ৰূপী বৃদ্ধ সিদ্ধ তান্ত্ৰিক প্ৰতাৰকে সৈন্যইতক ক'লে, "ধাৰণা হৈছে—আমাৰ পিতাৰ জ্ঞান-বুদ্ধি—বাৰ্ধক্যজনিত কাৰণে লুপ্ত হ'ল। ৰাজবৈদ্যদ্বাৰা পৰীক্ষাৰ পাছতহে সবিশেষ কোৱা যাব যে তেওঁ বলিয়া হ'লনে কি। তোমালোকে ইতিমধ্যে তেওঁক তেওঁৰ কক্ষতে কটকটীয়াকৈ বান্ধি থোৱাগৈ। পাছত যি ভাল হয় কৰা যাব।"

এইদৰে মহাধূৰ্ত প্ৰতাৰক তান্ত্ৰিকে দুষ্টবুদ্ধিৰে কথমপি ৰক্ষা পৰিল।

উদয়গিৰিৰ ৰজা ৰণবৰ্মাদেৱৰ দূতে এইবোৰ ঘটনা নিজেই চাই আৰু শুনি গৈছিল। তেওঁ ৰণবৰ্মাদেৱক ঘটনাৰ কথা ভাঙি-পাতি ক'লে, আৰু ৰজা ৰণবৰ্মাদেৱে মহাৰাজ অগ্নিমিত্ৰক প্ৰতাৰক বৃদ্ধ সিদ্ধ তান্ত্ৰিকৰ কবলৰপৰা ৰক্ষা কৰাৰ বাবে প্ৰতাৰক তান্ত্ৰিকক যেনেতেনে বন্দী কৰিবলৈ প্ৰস্তুতি ল'লে।

কিন্তু এনেতে হঠাৎ এদিন সেই ৰাজকোঁৱৰ অজয়ৰূপী বৃদ্ধ সিদ্ধ তান্ত্ৰিকক বিষাল সাপ এটাই খুটি মাৰি পেলালে। তেতিয়া বৃদ্ধ সিদ্ধ ৰাজকোঁৱৰৰূপে ৰাজ-প্ৰাসাদৰ কক্ষতে আছিল। তাৰ পাপৰ দণ্ড পালে সি, তাৰ সকলো সুখৰ সপোন থানবান হৈ গ'ল।

বোবা ৰাজকোঁৱৰ অজয় প্ৰভাত-নগৰলৈ আহিল। ইতিমধ্যে প্ৰজাবৰ্গই প্ৰতাৰক তান্ত্ৰিকৰ হাতত ৰাজকোঁৱৰ অজয়ৰ লাঞ্ছনাৰ কথা জানিছিল। প্ৰজাবৰ্গই বোবা ৰাজকোঁৱৰ অজয়লৈ সহৰ্ষ অভিনন্দন জ্ঞাপন কৰিলে।

প্ৰাসাদৰ কক্ষতে বৃদ্ধ সিদ্ধ তান্ত্ৰিকৰ নিৰ্জীৱ দেহ পৰি আছিল। বৃদ্ধলৈ চাই অজয়ৰ চকুলো ওলাই আহিল। বোবা অজয়ে তেওঁৰ পিতাক অগ্নিমিত্ৰক ইংগিতেৰে বৃদ্ধৰ শৱ দাহ কৰিবলৈ ক'লে।

এই কাহিনী কোৱাৰ অন্তত বেতালে

ৰজা বিক্ৰমাদিত্যক ক'লে, "হে ৰাজন্! ৰাজকোঁৱৰ অজয়ৰ আচৰণ প্ৰথমৰেপৰাই আছিল একাচেকা অসংগতবিধৰ। প্ৰতাৰক বৃদ্ধ সিদ্ধৰ হাতত প্ৰতাৰিত হোৱাৰ পাছত অজয় উদয়গিৰিলৈ গ'ল কিয়? কিয় প্ৰভাতনগৰলৈ গৈ নিজৰ পিতৃক সকলো কথা বুজাই নক'লে? আৰু—সেই প্ৰতাৰক বৃদ্ধ সিদ্ধৰ মৃতদেহলৈ চাই—কিয় অজয়ে চকুলো বোৱালে? ৰাজকোঁৱৰ অজয়ৰ প্ৰতিটো আচৰণেই আছিল মূৰ্খতাৰ নামান্তৰ। আৰু এটা কথা। অজয় যদি বোবা যুৱাৰ দেহত প্ৰবেশ কৰিব পাৰিছিল, প্ৰভাতনগৰলৈ গৈ তাত থকা ম'ৰা চৰাইৰ দেহতো প্ৰবেশ কৰিব পাৰিলেহেঁতেন, আৰু, নকল ৰাজকোঁৱৰৰূপী বৃদ্ধ সিদ্ধ প্ৰতাৰক তান্ত্ৰিকৰ দেহতো প্ৰবেশ কৰিব নোৱাৰিলেহেঁতেন জানো? কিন্তু অজয়ে সহজ কাম সহজ ভাবে নকৰি কঠিনতাৰ আশ্ৰয় ল'লে এইবোৰ কথাৰ সদুত্তৰ জানিও নিদিলে তোমাৰ মূৰ ফাটি চাৰিফাল হ'ব।"

বেতালৰ প্ৰশ্নৰ উত্তৰ ৰজা বিক্ৰমাদিত্যই ক'লে, "ৰাজকোঁৱৰ অজয় হ'ল কুশাগ্ৰবুদ্ধি-সম্পন্ন। সেইহে, প্ৰতাৰিত হোৱা সত্বেও, কোনো অন্যায় কাৰ্য্য কৰা নাছিল। ম'ৰা চৰাইৰ দেহত প্ৰবেশ কৰাহেঁতেন, ম'ৰা চৰায়ে মন্ত্ৰও মাতিব নোৱাৰিলেহেঁতেন, সেই কাহিনী ৰজাক ক'ব নোৱাৰিলেহেঁতেন। সাপে-খোটা বৃদ্ধ সিদ্ধৰ মৃতদেহলৈ চাই—ন্যায়সংগত কাৰণতে ৰাজকোঁৱৰ অজয়ৰ চকুলো ওলাইছিল কিয়নো, সেই দেহ তেতিয়া আছিল ৰাজকোঁৱৰ অজয়ৰ দেহ। তন্ত্ৰ-মন্ত্ৰ আৰু বাস্তৱ-বুদ্ধিত কিছু পাৰ্থক্য আছে।"

পুনৰ এবাৰ ৰজা বিক্ৰমাদিত্যৰ মৌনতা ভংগ কৰাত সক্ষম হোৱাত বেতালে পুনৰ সেই মৃতদেহটো লৈ গুচি গ'ল সেই সুপ্ৰাচীন বৃক্ষজোপালৈ। [ক্ৰমিত

বিষম ভুল

চন্দ্রপুৰীৰ ৰাজ-দৰবাৰত বিষ্ণুশৰ্মা নামৰ এগৰাকী কবি আছিল। তেওঁ অন্যান্য কবিৰ ৰচনাৰ প্ৰশংসা সদায়েই কৰিছিল ; কিন্তু ৰাজ-দৰবাৰৰে আন এগৰাকী কবি নাৰায়ণশাস্ত্ৰীৰ কবিতাৰ শ্ৰেষ্ঠত্ব তেওঁ মুক্ত কণ্ঠেৰে স্বীকাৰ কৰাত কুণ্ঠিত হৈছিল।

নাৰায়ণশাস্ত্ৰীৰ কবিতাৰ বিষয়ে বিষ্ণুশৰ্মাক কোনোবাই সুধিলে তেওঁ কৈছিল, "নাৰায়ণশাস্ত্ৰী কবি হিচাপে বেয়া নহয়, তেওঁৰ কবিতাও ভালেই।"

আৰু—নাৰায়ণশাস্ত্ৰীয়ে বিষ্ণুশৰ্মাৰ বিষয়ে কৈছিল, "এই কথাত সুধিবলগীয়া কি আছে। কথা— একেবাৰে খোলাখুলি। তেওঁৰ কবিতাত সকলো আছে, কাব্যগুণহে প্ৰায় নাই। এই বিষয়ে তেওঁ বহুত শ্ৰম কৰিব লাগিব।"

এইবোৰ কথা মহাৰাজৰ কাণতো নপৰাকৈ থকা নাছিল। এবাৰ তেওঁ কবি-সন্মিলন পাতি তাত বিষ্ণুশৰ্মাক সুধিলে, "শৰ্মাদেউ, আপুনি আমাৰ অন্যতম কবি নাৰায়ণশাস্ত্ৰীৰ প্ৰশংসা সদায়েই কৰি আহিছে। কিন্তু শাস্ত্ৰীকবিয়ে আপোনাৰ কবিতাত ত্ৰুটি বিচাৰি পায়। এই বিষয়ে আপোনাৰ মত কি ?

বিষ্ণুশৰ্মাই হাঁহি মাৰি ক'লে, "কবিতাৰ স্তৰত আমি দুয়োজনেই কিছু কম-কিছু অধিক হ'ব পাৰোঁ। মন্তব্য ঠিকেই হৈছে। পিছে—এটা কথাতহে বিষম ভুল হৈছে আমাৰ। আজিলৈকে মোৰ কবিতাৰ বিষয়ে তেওঁৰ মত আৰু তেওঁৰ কবিতাৰ বিষয়ে মোৰ মত—দুয়োজনৰে বিষম ভুল।"

দৰবাৰৰ সকলোটিয়েই যেতিয়া গিৰ্জনি মাৰি হাঁহি উঠিল, নাৰায়ণশাস্ত্ৰী তলমূৰ হৈ দৰবাৰৰপৰা ওলাই গ'ল।

জামুগছ

তামিলনাডুৰ তিৰুচিৰাপল্লীৰ ওচৰত এটি শিৱমন্দিৰ আছে, যি মন্দিৰটিৰ নাম হ'ল 'জম্বুকেশ্বৰ'। আৰু জম্বুকেশ্বৰ মন্দিৰৰ কাষতে আছে এজোপা বিৰাট জামু, যিজোপাই জম্বুকেশ্বৰক চন্দ্ৰাতপৰ দৰে ঢাকি ৰখা যেন লাগে। জামু হ'ল শিৱ আৰু শিৱপুত্ৰ গণেশৰো প্ৰিয়। শ্ৰীকৃষ্ণৰো। কিংবদন্তি মতে, মেঘ-দেৱতাসৱেই মৰ্তাধামত জামুগছৰূপে আৱিৰ্ভূত আৰু মৰ্ত্য-বাসীৰ কাৰণে অৱস্থিত। বৌদ্ধধৰ্মীয় লোকসকলেও জামুগছক পবিত্ৰ বুলি মানে।

ইংৰাজসকলেও জামুক 'জাভা বগৰি' বুলি কয়, কিয়নো এই বৃক্ষ তেওঁলোকে পোনপ্ৰথমে জাভাত দেখা পাইছিল। এই গছৰ ৰঙাৰে মিহলি ক'লা বৰণৰ ফলক অসমীয়াত 'জামু', বাংলাত 'জাম' বা 'কালোজাম', মৰাঠীত 'জামতুল', হিন্দীত 'জামুন' আৰু তামিলভাষাত 'নাভাল' বুলি কোৱা হয়। আৰু ইউৰোপত জামুক 'ইণ্ডিয়ান ব্লাকবেৰি' বুলিও অভিহিত কৰা হয়।

সৰু দীঘলীয়া পাতেৰে এইবিধ ওখ ডাঙৰ টান কাঠৰ গছ—কেইবাবিধো আছে। যেনে কলা বা বৰ জামু, কোটাহি জামু, গোলাপী জামু, বগী জামু, নাহৰপতীয়া জামু ইত্যাদি। ভাৰতৰ সকলোতেই জামুগছ ওপজে। বনতো ওপজে, ইয়াৰ খেতিও কৰা হয়। মাৰ্চৰপৰা মে' মাহৰ ভিতৰত জামুগছত ফুল ধৰে, আৰু তাৰ পাছত থোপাথোপে ফল ওপজে। বাৰিষা ফল অৰ্থাৎ জামু পকে। জামুফল অতি উপাদেয় আৰু ক্ষুধাবৰ্দ্ধক ফল। জামুৰ গছ পাত-শিপা আদিৰে সেই সুপ্ৰাচীনকালৰেপৰাই ঔষধ প্ৰস্তুত কৰা হৈছে। এই জামুগছৰ কাঠ অতি টান তথা সুদৃঢ়। বিশেষকৈ নাও নিৰ্মাণত জামুকাঠৰ ব্যবহাৰ সৰ্বাধিক।

ভাৰতৰ প্ৰথম কবি

বাল্মীকি

সহস্ৰ সহস্ৰ বছৰৰ আগতে আমাৰ এই দেশখন আছিল অটব্য অৰণ্যেৰে ভৰপুৰ। ইখন গাঁৱৰপৰা সিখনলৈ, ইখন জনপদৰপৰা সিখনলৈ যাওঁতে অৰণ্য অতিক্ৰমি যাব লাগিছিল।

আজিৰ যুগত আমাৰ বাটে-পথে দস্যু-লুটিয়াৰৰ অভাৱ নাই। তেতিয়াও — সেই সুপ্ৰাচীন কালতো আছিল।

এদিন মুনি এগৰাকী ৰামনাম গাই গাই বনৰ মাজেদি গৈ আছিল। প্ৰকৃতপক্ষে বিষ্ণুৱেই অযোধ্যাৰ ৰজা দশৰথ-কোঁৱৰ ৰাম ৰূপে জন্ম লৈছিল। অকস্মাৎ কোনোবাই চিঞৰি কৈ উঠিল. "ৰ'বা!"

মুনি ৰ'ল আৰু চাৰিওফালে চাই হাতত উদ্যত কুঠাৰ লৈ তাত এটা দস্যুক থিয় হৈ থকা দেখা পালে আৰু তাক সুধিলে, "কোন তুমি?"

"চিনি পোৱা নাই — ? মই দস্যু। যি আছে দিয়া, নহ'লে মৰিবা।" দস্যুটোৱে দন্তালিৰে ক'লে।

"কিমান দিন ধৰি দস্যুতা কৰিছা?" মুনিয়ে সুধিলে।

"বহু দিনৰপৰা। কিয়নো পুত্ৰ-পুত্ৰী-পৰিবাৰ—নাই আন উপায় ৰক্ষাৰ।" দস্যুটোৱে মুনিক ক'লে।

"কি যে পাপৰ বোজা তুমি কঢ়িয়াইছা!" মুনিয়ে ক'লে।

"কিয় পাপ? কিহৰ বোজা?" দস্যু উত্তেজিত হৈ উঠিল।

"এতিয়া দেখা নাই; কিন্তু দেখিবা। তোমাৰ এনেবোৰ কৰ্মৰ প্ৰতিফল পাবই লাগিব।"

মুনিৰ কথাত দস্যু কিঞ্চিত বিভ্ৰান্ত যেন বোধ হ'ল। সি তাৰ হাতৰ উদ্যত কুঠাৰ নমাই ল'লে আৰু ক'লে, "মই যি কৰ্ম কৰিছো—কৰিছো পৰিয়ালখনৰ কাৰণে। গতিকে—পাপ যদি হৈছেও, সেই পাপৰ বোজা পৰিয়ালখনৰ সকলোটিয়েই কঢ়িয়াব।"

মুনিয়ে হাঁহি তাক ক'লে, "তোমাৰ কৰ্ম তোমাৰেই। কোনেও তোমাৰ কৰ্মৰ ভাগ নল'ব, পুত্ৰ!"

দস্যুৱে মুনিক তাত ৰ'বলৈ কৈ তৎক্ষণাৎ ঘৰলৈ গ'ল, আৰু তাৰ পৰিবাৰক, লগতে লৰা-ছোৱালীহঁতক মুনিয়ে কোৱা কথাখিনি ক'লে। ল'ৰা-ছোৱালীহঁতে আৰু পৰিবাৰেও তাক ক'লে, "মুনিৰ কথা সত্য! আমাৰ ৰক্ষণাবেক্ষণ তোমাৰ কৰ্তব্য। কেনেকৈ কিবা কৰা—সেয়া তোমাৰ কথা।"

দস্যু লৰৰি আহি মুনিৰ চৰণত দীঘল দি পৰি ক'লে, "দয়া কৰি পাপৰপৰা ৰক্ষাৰ উপায় দিয়ক।"

মুনিয়ে তাক একান্ত মনেৰে ৰাম-নাম জপিবলৈ ক'লে।

দস্যু বিৰাট এজোপা গছৰ তলত বহিল আৰু নিজক পাপৰপৰা মুক্ত কৰিবলৈ একমনে ৰামনাম জপিবলৈ ধৰিলে। আৰু এইদৰে দিন গ'ল, মাহ গ'ল, আৰু বাগৰি গ'ল বছৰৰ পাছত বছৰ।

পুনৰ এবাৰ সেইগৰাকী মুনি সেই বাটেদি গৈ থাকোঁতে এটা বিৰাট ওখ উই-হাফলুৰপৰা ৰামনাম-ধ্বনি শুনিবলৈ পালে। মুনিয়ে সেই উই-হাফলুটো ভাঙি তাৰ ভিতৰত একালৰ দস্যু এতিয়াৰ মুনি এজনক দেখা পালে। দস্যু হৈ থকাকালত এই মুনিজনৰ নাম আছিল ৰত্নাকৰ।

এতিয়া এওঁৰ নাম হ'ল বাল্মীকি। কিয়নো—এওঁ উই-হাফলুৰ মাজত, অৰ্থাৎ সংস্কৃতত যি উই-হাফলুক 'বল্মীক' বুলি কোৱা হয়—মাজত থাকি ৰামনামসিদ্ধ হোৱাত এই নাম পাইছিল। বাল্মীকিৰূপে একালৰ দস্যু ৰত্নাকৰেই হৈছিল ভাৰতৰ প্ৰথমজনা কবি।

এই ঘটনা নিম্নৰূপ :এদিন বাল্মীকিয়ে তমসা নৈত স্নানান্তে গৃহলৈ ওভতোঁতে দুটি ধুনীয়া চৰাইক গছৰ ডালত খেলি থকা দেখা পাইছিল, কিন্তু পাছ মুহূৰ্ততে কোনোবা ব্যাধ-নিক্ষিপ্ত এডাল কাঁড়ে এটি চৰাইক বিদ্ধ কৰাত আন চৰাইটিয়ে হৃদয়বিদৰা আৰ্তনাদ কৰিছিল। বাল্মীকিয়ে সেই ব্যাধক দেখা পাই যি প্ৰতিবাদ কৰিছিল, সেই আবেগনা প্ৰতিবাদেই আছিল ভাৰতৰ প্ৰথম কবিৰ কবিতা।

বাল্মীকি-ৰচিত 'ৰামায়ণ'ৰ কথা কোনে নাজানে? ৰামায়ণ আমাৰ তেজত প্ৰবাহিত। ৰামায়ণ হ'ল কালজয়ী মহাকাব্য। ৰামায়ণৰ কাহিনীয়ে ভাৰতৰ শতকোটি নৰ-নাৰীৰ প্ৰাণত, আৰু ভাৰতৰ বাহিৰৰো অনেক অনেক দেশৰ নৰ-নাৰীৰ প্ৰাণত এক হেৰোৱা অতীতৰ সৌগন্ধক কঢ়িয়াই আনে। ৰামচন্দ্ৰৰ সেই অমৰ কাহিনীয়ে আমাক সোঁৱৰাই দিয়ে আমাৰ ৰূপৰসগন্ধময় বৰ্ণময় পৰম্পৰাক।

বাল্মীকিৰ বিষয়ে প্ৰচলিত কিংবদন্তি সৰ্বাংশে সত্য নহ'ব পাৰে। কিন্তু তথাপি মানৱৰ অন্তৰ্নিহিত শক্তিৰ বিষয়ে বাল্মীকিৰ কাব্য-প্ৰতিভাই আমাৰ অন্তৰত সৃষ্টি কৰে প্ৰেৰণা, জীৱন-লহৰীৰ ব্যঞ্জনা, আৰু মানুহৰ মাজত নিহিত প্ৰাণৰ দ্যোতনা। বাল্মীকিৰ জীৱনে আমাক শিকায় যে, ইচ্ছাশক্তিয়ে আনকি এজন দস্যুক ঋষি তথা কবি কৰি তুলিব পাৰে, কৰি তুলিব পাৰে প্ৰকৃত ঈশ্বৰাভিমুখী মহৎ।

আমি জানো নে?

১. কোনখন দেশত পোন প্ৰথমে মেট্ৰিক-পদ্ধতি প্ৰৱৰ্তিত হৈছিল?
২. 'দেৱ-উপত্যকা' ভাৰতৰ ক'ত পৰিদৃষ্ট?
৩. আলেগজান্দাৰ দ্য গ্ৰেটক তেওঁৰ বালককালত যিটো অশ্ব দিয়া হৈছিল তাৰ নাম কি?
৪. ভাৰতৰ 'গোলাপী নগৰ' কোনখনক কয়? কিয় কয়?
৫. 'জুডো' কাৰ আৱিষ্কাৰ? কেতিয়া?
৬. ভাৰতৰ সুবিখ্যাত নৃত্যশাস্ত্ৰৰ নাম? ৰচয়িতা কোন?
৭. ভাৰতৰ কোনগৰাকী গণিতজ্ঞই শূন্য আৱিষ্কাৰ কৰিছিল?
৮. স্বাস্থ্য-ডাকটিকেট কোনখন দেশে উলিয়ায়? বিশেষত্ব কি?
৯. পৃথিৱীয়ে সূৰ্য্যৰ চাৰিওফালে প্ৰদক্ষিণ কৰোঁতে কিমান সময় লয়?
১০. জাপানৰ সৰ্বপ্ৰাচীন গ্ৰন্থৰ নাম কি?
১১. কোনগৰাকী আমেৰিকীয় ৰাষ্ট্ৰপতিয়ে পোন প্ৰথমে ভাৰতলৈ আহিছিল?
১২. পৃথিৱীৰ সৰ্ববৃহৎ পুথি-ভঁৰাল?
১৩. সুপ্ৰাচীন কালত টোকিঅ'ৰ কি নাম আছিল?
১৪. গালিলেঅ'ৰ প্ৰথম বৈজ্ঞানিক আৱিষ্কাৰ কি?
১৫. দেশৰ পতাকাৰ ওপৰ দেশৰ মানচিত্ৰ কোনখন দেশৰ আছে?

উত্তৰ

১. ফ্ৰান্স।
২. কুলু। হিমাচল প্ৰদেশত। ইয়াত প্ৰতিখন গাঁৱৰ এজনকৈ দেৱ-দেৱী আছে, দশেৰাৰ উছৱত বছৰেকত এবাৰকৈ শোভাযাত্ৰা উলিয়ায়।
৩. বুছেফালাছ।
৪. ৰাজস্থানৰ ৰাজধানী জয়পুৰ। অধিকভাগ অট্টালিকা গুলপীয়া বৰণৰ বালিশিলেৰে সজা। ৰজা জয়সিঙে এইখন নগৰ প্ৰতিষ্ঠা কৰিছিল।
৫. ডাঃ জিগৰো কানো, ১৮৮২ চনত।
৬. নাট্যশাস্ত্ৰ, ৰচয়িতা ভৰতমুনি।
৭. আৰ্য্যভট্ট।
৮. নিউজিল্যাণ্ড। বিশেষত্ব হ'ল—মুদ্ৰিত মূল্যতকৈ অধিক মূল্যত বিক্ৰি হয় আৰু সেই অতিৰিক্ত ধন স্বেচ্ছাসেৱী সন্থাসমূহক দিয়া হয়।
৯. ৩৬৫ দিন ৫ ঘণ্টা ৪৮ মিনিট ৪৬ ছেকেণ্ড।
১০. কোজিকিক। ৭০০ খৃষ্টাব্দলৈকে জাপানৰ বিবৰণ আছে।
১১. ড্ৱাইট আইজেনহাওৱাৰ, ১৯৫৬ চনত।
১২. লেনিন ষ্টেট লাইব্ৰেৰি, মস্কো।
১৩. এডো।
১৪. ঘড়িৰ দোলক, অৰ্থাৎ পেণ্ডুলাম।
১৫. চাইপ্ৰাছ।

নিদ্ৰা-ৰহস্য

হৰিবৰ গাঁবৰ চাৰিওফালে টিলা। টকলা টিলা। জহকালি যেনিবা জুইহে জ্বলে। কৈলাশে ঘৰটো ইয়াত সাজিছিল আটোম-টোকাৰীকৈয়েই. কিন্তু হ'লে কি হ'ব—গৰমত অস্থিৰ। বহুত চেষ্টাতো টোপনিৰ দেখাদেখি নাই কৈলাশৰ চকুযুৰিত।

কিন্তু এই গেলা গৰমতো কৈলাসৰ চাকৰ নাকৰবোৰে তো হয়েই. আনকি ল'ৰা-ছোৱালী-পৰিবাৰেও ঘোৰঘোৰায়. টোপনিত বৰি-বকৰা নজনা হয়।

আৰু কৈলাশে সিহঁতকেটাক কচু দিয়ে, চাকৰকেটাক কয়. "ঐ দৰমহাখোৱা বান্দৰহঁত, মই জাগি আছোঁ আৰু তহঁতে ঘোৰঘোৰাইছ—কেনেকৈনো ? ক' ক' ক'—নহ'লে পাটী ল'।"

ঘৈণীয়েক-পুতেকহঁতক কয়, "মই মৰিছোঁ খাটি-পিটি, তহঁতে মাৰিছ মৰ-ঘুমটি ! বোলোঁ—ইয়াকে বোলেনে—আৰ্জে নন্দ গোৱালে. খায় বোন্দা শিয়ালে ? খাটি যাৰ লাগিল হাতত দাগ. তাকেই বোলে জাগি থাক।— কে নে কৈ নো তহঁতে ইমানকৈ টোপনিয়াইছ ? ক' ক' ক'—নহ'লে পাটী ল'।"

এদিন পৰিবাৰে বেজ-এজনক মতাই অনালে। বেজে কৈলাশক পৰীক্ষা কৰি চালে আৰু ক'লে, "শৰীলত বিয়াধি নাই, মনতহে আছে যেন পাই—।"

এজন তান্ত্ৰিকে কৱচ-তাবিজ দিলে, মন্ত্ৰ মাতি শান্তি-স্বস্ত্যয়নো কৰিলে ; কিন্তু কৈলাশৰ নাই খোপনি, চকুত নাই টোপনি।—কথাতে বোলে—টোপনি নাই ৰোগীৰ, আৰু টোপনি নাই ভোগীৰ।

ৰামানন্দ শৰ্মা

মোৰনো কিয় ?—কৈলাশে ভাবিলে।

এনেতে এদিন এজন সাধু কৈলাশহঁতৰ ঘৰলৈ আহিল। সাধুক পাই কৈলাশে ভগৱানক পোৱা যেন পালে আৰু সাধু-বাবাক সকলো কথা ভাঙি-পাতি ক'লে।

সকলো কথা শুনাৰ অন্তত সাধুবাবাই কৈলাশক ক'লে, "তুমি ঢেৰ খাটিছা, ঢেৰ আৰ্জিছা ; কিন্তু-জানিছাহে কম।—জীৱন যে আচলতে পানীৰ বুৰবুৰনি—জানানে ? যেইকোনো ক্ষণতে মিলাই যাব পাৰে।"

"হে মহাত্মা, জীৱন যে ফুটুকাৰ ফেন —নাজানা নহয়, জানো মরো। কিন্তু জানিওনো কি কৰিম ?" কৈলাশে ক'লে।

"শুনা, ঈশ্বৰে মানুহৰ জীৱনৰ দিনবোৰ —পোহৰ আৰু এন্ধাৰ—দিন আৰু ৰাতি হিচাপে ভগাই দিছে। কৈছে, দিনৰ ভাগত খাটিবা, ৰাতিৰ ভাগ শুবা ; তেহে জীৱনৰ অৰ্থ—চবেই বিচাৰি পাবা। ৰাতি নিঃচিন্ত-নিষ্কলুষ মনেৰে সুখনিদ্ৰাত নগন হ'ব লাগে। টোপনি হ'ল মৃত্যুৰ সমান। টোপনিয়াই থকা মানুহ আৰু মৰা মানুহ —একেই। মানুহে নিতৌ মৰে, আকৌ নিতৌ জাগে। তাৰ পাছত এদিন আৰু নাজাগে, চিৰ সুখৰ স্বৰ্গ পায়গৈ।—তুমিও পাবা।" সাধুৱে সাধুকথা কোৱাদি ক'লে।

কৈলাশ ক'লে, "এইবোৰ কথা— জনা কথা।"

"কিন্তু নিদ্ৰাৰ কাৰণে হিয়া-মন চাফা কৰিব লাগে, সকলো দুখ-ভগৰ খং-দ্বেষ মনৰপৰা গুচাব লগে।" সাধুৱে আকৌ কৈলাশক ক'লে।

"মোৰ খাই মোৰ পিন্ধি আনবিলাকে মজা মাৰি টোপনি মাৰে, আৰু মই বেটাই থাকোঁ সাৰে, এই কথানো মোৰ মনে কেনেকৈ পাহৰে ?" কৈলাশে ভুৰু কোঁচাই ক'লে।

সাধুবাবাই কৈলাশক ক'লে, "বাৰু, মোৰ লগত এঠাইলৈ ব'লা, মই তোমাক মানুহ এজনক দেখুৱাম—যাৰ পাচিয়ে

পাচিয়ে কাম, কিন্তু তথাপি পায় আৰাম।"

কৈলাশক লগত লৈ সাধু গ'ল চান্দিপুৰ গাঁৱৰ অচঞ্চল নামৰ মানুহ এজনৰ ঘৰলৈ। অচঞ্চলে সাধুবাবাক প্ৰণাম কৰিলে আৰু দুয়োজনৰ কাৰণে খোৱা-বোৱা-শোৱাৰ বন্দবস্ত কৰিলে।

সাধুবাবাই অচঞ্চলক সুধিলে, "সুখে-শান্তিৰেই আছা নহয়—?"

অচঞ্চলে হাঁহিলে আৰু ক'লে "আছোঁ আৰু—। মা বেমাৰত পৰি আছে, বিছনা এৰিব নোৱাৰা হৈছে, চিকিৎসাৰ কাৰণে ঢেৰ খৰচ হৈছে. পৰিবাৰৰো শৰীল-স্বাস্থ্য বিশেষ ভাল নহয়, তথাপি মাৰ সেৱা-যত্নত ত্ৰুটি কৰা নাই। কিন্তু মাই সদায় তাইৰ সৈতে বিবাদ কৰিছে, আমাৰ ঘৰত দিনে-নিশাই কাজিয়া, একোকে নকৰা হ'ল—একোতে গা নলগোৱা হ'ল; সকটো তেনেকুৱা নহয়, কিন্তু অপদায়। এইবাৰ খেতি-বাতিৰো অৱস্থাও তথৈৰচ।"

সাধুবাবাই ক'লে, "তোমাৰ সমস্যা দেখিছোঁ—বেছ টানেই। সমাধান কিবা বিচাৰি পাইছানে?"

"মই সমস্যাৰ কথা বৰ নাভাবোঁ, কিয়নো সকলো মোৰ হাতত নহয়। মই মোৰ কৰ্তব্য কৰি যাওঁ, তাতে যিমান-যি হয়—তাৰেই তুষ্ট হৈ থাকোঁ। বৰো, বেয়া



নাপাব, মই অলপ পৰৰ বাবে বিদায় লৈছোঁ, উভতিবলৈ কিছু পলম হ'ব।" এই বুলি কৈ অচঞ্চল ক'ৰবালৈ যাবলৈ ওলাল।

আৰু লগে লগে সাধুবাবায়ো দূৰত্ব বজায় ৰাখি কৈলাশক লগত লৈ অচঞ্চলৰ পিছে পিছে গৈ থাকিল।

গৈ গৈ অচঞ্চলে এক মধুৰিআমৰ বাগিচাৰ ভিতৰলৈ সোমালগৈ, আৰু তাতেই চাদৰ এখন পাৰি শুলে, আৰু মুহূৰ্ততে সি টোপনিত লাল-কাল দিলে।

"দেখিলাই নহয়, কৈলাশ? টোপনি হ'ল—ঈশ্বৰে প্ৰতিজন মানুহক প্ৰদান

কৰা আশীৰ্বাদ। অলপ সময়ৰ কাৰণে হ'লেও নিদ্ৰাই মানুহক তাৰ অপাৰ দুখ-কষ্টক পাহৰাই দিয়ে। অচঞ্চলক নানান সমস্যাই আগুৰি ধৰিছে, তথাপি সি ঈশ্বৰৰ এই আশীৰ্বাদ বুদ্ধিমত্তাৰে ব্যৱহাৰ কৰিছে।" সাধুৱে ক'লে।

কৈলাশে ক'লে, "সি সমস্যাৰ সমাধানৰ উপায় নিচিন্তি কেৱল টোপনিৰ কথা চিন্তিলেই চিন্তা গুচিবনে তাৰ? দায়িত্ব যে কি বস্তু—অচঞ্চলে নাজানে। মই তাক জগাই দিম আৰু ক'ম যে সময়ৰ সদ্ব্যৱহাৰ কেনেকৈ কৰিব লাগে, ধনেৰে কি হয়, আৰু ধন কেনেকৈ আৰ্জিব লাগে।"

"ঠিক আছে, ভবা মতেই কৰা।" সাধুৱে ক'লে।

কৈলাশে অচঞ্চলক টোপনিৰপৰা জগাবলৈ এখোজ দিওঁতেই কৈলাশৰ পিছফালৰপৰা অন্য এজন মানুহে তাৰ হাতত থাপ মাৰি ধৰিলে আৰু ক'লে, "তোমাৰ মগজুতে বাক গোবৰ আছেনে কি? টোপনিয়াই থকাক যে জগাব নাপায় তাকো নাজানানে?

"তুমিনো কোনহে? তাক জগালে তোমাৰ কি?" কৈলাশে সুধিলে।

"মই মোৰ খবৰ পাছত ক'ম, তোমাৰ খবৰ আগতে ল'ম। তুমিনো কোন?" মানুহজনে সুধিলে।

"মই যেয়েই নহওঁ, তোমাকনো কেলেই? মই সেই শুই থকাক ধনৰ উপাৰ্জন শিকাম আৰু তাক ক'ম যে—আৰ্জনৰ সময়ত টোপনি মাৰিব নাপায়।" কৈলাশে ক'লে।

"এওঁ ৰাতিৰ পৰতে শুবলৈ সময় নাপায়, দুজন মহাজনৰ হিচাপৰ বহী লিখে। মহাজন দুজনৰ হিচাপৰ বহী ৰাতিৰ পৰতেই লিখিব লাগে, কিয়নো দিনে-পোহৰে লিখিবলৈ নিদিয়ে। তদুপৰি, ৰাতিৰ পৰতে ঘৰতো বেমাৰীক পৰ দিব লাগে। ৰাতি এনেকৈয়েই পাৰ হয়,

দিনৰ ভাগত খেতি-পথাৰৰ কাম কৰে। এতিয়া ভাবা, এনেকুৱা মানুহ এজনক টোপনিৰপৰা জগাব পায়নে?" মানুহজনে সুধিলে।

কৈলাশে সুধিলে, "তুমি বাৰু কোন?"

"মই এই বাগচাৰ মালিক। ঘৰত মোক কোনেও কোনো কাম কৰিবলৈ নিদিয়ে। কিন্তু একো নকৰাকৈ মানুহে থাকিব পাৰেনে? নিশ্চয় নোৱাৰে আৰু উচিতো নহয়। সেই কাৰণে ৰাতিবোৰ মই উজাগৰে কটাওঁ। এই অচঞ্চলক দেখি ময়ো সদায় ইয়াত টোপনিয়াবৰ চেষ্টা কৰি থাকোঁ।"

কৈলাশে উৎসাহিত হৈ সুধিলে, "আপুনি ইয়াত টোপনিয়াব পাৰিছেন?"

"নহয়। নিদ্ৰা কেৱল পৰিবেশৰ ওপৰতে নিৰ্ভৰশীল নহয়, নিদ্ৰাৰ প্ৰধান ভিত্তি মনত। অশান্তি থাকিলে নহ'ব নিদ্ৰাৰ কাৰণে প্ৰশান্তি লাগে।" মানুহজনে ক'লে, "আমাৰ বাগিচাত টোপনিৰ বাবে কোনো জাদু নাই।"

"কিন্তু এওঁৰ মূল্যৱান সময় যে নষ্ট হৈছে!" কৈলাশে প্ৰায় চিঞৰিয়েই ক'লে।

মানুহজনে ক'লে, "সুখ-নিদ্ৰা—সাধাৰণ কথা নহয়, ভাগ্য লাগে। এনেহেন ভাগ্যৱানক দেখিলেও পুণ্য হয় মন হয় প্ৰফুল্ল। অচঞ্চলৰ নিদ্ৰা যাতে কোনেও ভংগ নকৰে, তাৰ কাৰণে মই — সি আহিলেই আহোঁ ইয়ালৈ। তাৰ নিশ্চিন্ত নিদ্ৰা দেখি ময়ো এতিয়া ৰাতিৰ পৰতে নিশ্চিন্তে নিদ্ৰা দিব পৰা হৈছোঁ।"

এই কথা শুনিয়েই কৈলাশৰ জ্ঞানোদয় হ'ল। কৈলাশে সাধুবাবাক আৰু লগতে এই বাগিচা-মালিককো প্ৰণাম কৰিলে আৰু মনৰপৰা হিংসা-দ্বেষ-অসূয়া গুচাবলৈ প্ৰতিজ্ঞা ল'লে। কৈলাশে নিদ্ৰাৰ ৰহস্য উপলব্ধি কৰিলে যে—নিদ্ৰাৰ কাৰণে লাগে এখনি নিৰ্মল মন।



অবিশ্বাস

সুন্দৰ আছিল এক দৰিদ্ৰ যুৱক। তাৰ মাক দেউতাক ভায়েক ভনীয়েক বা আত্মীয় স্বজন ক'তো কেও নাছিল।

এদিন গাঁৱৰ মুধাফুটা কেইজনমানে গাঁৱৰ বৰগছৰ তলত বহি মেল মাৰি থাকোঁতে সুন্দৰৰ কথা উলিয়ালে, আৰু তাক কিবা-কামত লগাই দিয়াৰ উপৰিও তাৰ বিয়া-বাৰুৰ কথাও আলচিলে।

স্থিৰ কৰা হ'ল, সুন্দৰে গাঁৱৰ এশমান ঘৰত একলহকৈ পানী পুখুৰীৰপৰা আনি দিব আৰু প্ৰতিদিন একো একোজনৰ ঘৰত খোৱা-বোৱা কৰিব, আৰু কিছুদিনৰ পাছত গাঁৱলীয়াই সুন্দৰক এডোখৰ মাটিৰে সৈতে ঘৰ এটা সাজি দি তাৰ বিয়াও পাতি দিব।

সুন্দৰে গাঁৱৰ সকলোটিৰ ঘৰতে পানী দি থাকিল।

কিছুদিনৰ অন্তত গাঁৱৰ বয়সস্থ কিছুমানে সেই বৰৰ তলত বহি মেল মাৰি থাকোঁতে ইকথা-সিকথাৰ মাজত কোনেয়ো এজনে ক'লে যে তেওঁলোকৰ গাঁৱৰ শিৱদ'ল অতি জাগ্ৰত, আৰু ফ'লৰ স্তম্ভ এটাৰ গাত খোদিত সেই কথাখিনি সঁচা—য'ত লিখা আছে যে—কোনোবাই ডেৰশ কলহ পানীৰে শিৱৰ অভিষেক কৰে যদি—সেইজন হ'ব ৰজা।

কথাখিনি অলপমান আঁতৰত বহি থকা সুন্দৰেও শুনিলে।

যি কি নহওক—মেলুৱৈৰ মাজৰপৰা আন এজনে ইতিকিণ্ডৰ সুৰেৰে ক'লে যে এইবোৰ বেবেৰিবাং কথাতকৈ অধিক কিবা নহয়। ৰজা হোৱাটো ইমান সহজ

হোৱাহেঁতেন সকলেটিয়েই ৰজা হ'ল-হেঁতেন। মেলুৱৈহঁতৰ অধিকভাগেই এওঁৰ কথালৈ 'হয় হয়' কৰিলে আৰু এই কথাত যে কোনো সত্যতা থাকিব নোৱাৰে সেই বিষয়ে ৰায় দিলে।

কিন্তু সুন্দৰে প্ৰায় বিশ্বাসেই কৰিলে কথাটো। যদিও বিশ্বাস-অ বি শ্বা স ৰ চাকনৈয়াত পৰিছিল সি, তথাপি, ডেৰশ কলহ পানী শিৱৰ মূৰত ঢালিব বুলি সি, খাটাং কৰিলে তাৰ মনত।

পাছদিনা সুন্দৰে প্ৰতিদিনৰ দৰে গাঁৱৰ ঘৰে ঘৰে একলহকৈ পানী দিলে, আৰু তাৰ পাছত—শিৱৰ মূৰত ডেৰশ কলহ পানী ঢালিবলৈ কঁকাল বান্ধিলে।

সুন্দৰে একলহকৈ পানী শিৱৰ মূৰত ঢালে আৰু হিচাপ কৰে, আৰু আকৌ কঢ়িয়াই আনি ঢালে। এইদৰে এশ চল্লিছ কলহ পানী শিৱৰ মূৰত ঢলাৰ অন্তত তাৰ হাত-ভৰি অৱশ অৱশ যেন লাগিল। সি তিমানতে ইমানেই ভাগৰি পৰিছিল যে আনকি থিয় হৈ থকাতো সি টান পাইছিল। যি কি নহওক, বহু চেষ্টাৰে সি নিজক পুনৰ পানী কঢ়িয়াই অনাৰ বাবে প্ৰস্তুত কৰিলে, আৰু শেষ দহ কলহ পানীৰে শিৱৰ পূৰ্ণ অভিষেক কৰিবই বুলি মনত ভীষ্ম-প্ৰতিজ্ঞা ল'লে।

কিন্তু একে একে আঠ কলহ পানী কঢ়িয়াই অনাৰ পাছত সুন্দৰৰ অৱস্থা

ইমানেই বেয়াৰৈ ঢাল ল'লে যে সি ডেৰশ কলহ পূৰা কৰাৰ আশা এৰিয়েই পেলালে প্ৰায়। সুন্দৰে শিৱলিংগৰ পিনে চাই চাই ভাবি থাকিল: এশ আঠচল্লিছ কলহ পানী কঢ়িয়াই আনি শিৱৰ মূৰত ঢলাৰ অন্ততো দেখোন শিৱলিংগ শিৱলিংগয়েই হৈ আছে, কোনো ইফাল-সিফাল হোৱা নাই, ৰজা হোৱাৰ লা-লক্ষণো একো নেদেখিছোঁ দেখোন! সেই মেলুৰৈ বুঢ়াৰ কথায়েই ঠিক, এইবোৰ বেবেৰিবাং কথা। পিছে যি হওক যা হওক—আৰু মাত্ৰ দুই কলহ! আনিমেই আৰু ঢালি চামেই কি হয়। যদি একোৱেই নহয়, এই শিৱলিংগ মই হুটুকুৰা কৰি পেলাম, গাঁৱৰ মানুহে মোক শাস্তি-শলা দিয়ে যদি দিয়কেই।

এনেবোৰ কথা ভবাৰ অন্তত—বহু কষ্টেৰে সি বাকী দুই কলহ পানী কঢ়িয়াই আনি শিৱৰ মূৰত ঢালিলে, কিন্তু একো ফল নোহোৱাত সি তাৰ ভবা মতে কাম কৰি শিৱলিংগক হুটুকুৰা কৰি পেলালে।

আৰু লগে লগে সেই দ্বিখণ্ডিত শিৱলিংগৰপৰা ত্ৰিশূলধাৰী শিৱ স্বয়ং প্ৰত্যক্ষ হ'ল আৰু ধাৰৰ নল কঁপা দি কঁপি থকা সুন্দৰক শিৱই ক'লে, "সুন্দৰ, তুমি বাস্তৱিকেই বৰ বুদ্ধিহীন। যি কাম কৰিবা, পূৰ্ণ ভক্তি-শ্ৰদ্ধা তথা বিশ্বাসেৰে কৰিবা, তেহে পাবা ফল। তুমি তোমাৰ অজ্ঞানতাৰ কাৰণেই পায়ো হেৰুৱালা, নিজৰ ভৰিত নিজেই কুঠাৰ মাৰিলা। শেষৰ দুকলহ পানী তুমি অবিশ্বাসভৰা অন্তৰেৰে মোৰ মস্তকত ঢলাৰ বাবেই মই গ্ৰহণ কৰিব পৰা নাছিলোঁ। নহ'লে—তুমি নিশ্চয়েই ফললাভ কৰিলাহঁতেন। জানি থোৱা, বিশ্বাসে মিলায়ে বস্তু, তৰ্কে বহু দূৰ, বিশ্বাসেৰে লয় যেৱে, সিজনেই চতুৰ।" এই বুলি কৈয়েই শিৱ অন্তৰ্হিত হ'ল আৰু সুন্দৰে সেই দ্বিখণ্ডিত শিৱলিংগৰ পিনে ভেবা লাগি চাই ৰ'ল।



মহাভাৰত

৬

পাণ্ডু ৰজাই তেওঁৰ পত্নী কুন্তী তথা মাদ্ৰীৰে সৈতে আনন্দমনেৰে অৰণ্যত বিহাৰ কৰি থাকোঁতে তাত এহাল হৰিণ-হৰিণীক ক্ৰীড়ামত্ত অৱস্থাত দেখা পাই বাণ নিক্ষেপ কৰিলে। কিন্তু হৰিণ-হৰিণীৰ বেশত সেইহাল আছিল কিন্দম নামৰ মুনি আৰু তেওঁৰ পত্নী। বাণবিদ্ধ মুনিয়ে পাণ্ডুলৈ অভিশাপ দিলে, "তুমিও তোমাৰ পত্নীৰ সৈতে প্ৰেম কৰোঁতে এনেকৈ মৰিবা।"

মুনিৰ মৃত্যু হোৱাত পাণ্ডু অতিশয় বিমৰ্ষ হ'ল। তেতিয়ালৈকো পাণ্ডুৰ কোনো সন্তান প্ৰাপ্তি হোৱা নাছিল, আৰু মুনিৰ অভিশাপৰ ফলত সেই সম্ভাৱনাও নোহোৱা হৈছিল। তেওঁ তেওঁৰ পত্নীদ্বয়ক ক'লে, "মোৰ পক্ষে এতিয়া সন্যাস গ্ৰহণেই উত্তম উপায়। মই এই মহাৰণ্যতে জীৱন অতিবাহিত কৰিম। তোমালোক হস্তিনাপুৰলৈ উভতি যোৱা, আৰু ভীষ্ম, বিদুৰ, ধৃতৰাষ্ট্ৰ প্ৰমুখলৈ এই সম্বাদ দিয়া।"

"আমি আপোনাৰ ধৰ্মপত্নী, আপোনাক এৰি ক'লৈকো যাব নোৱাৰোঁ। গৈয়ো আমি থাকিম কত? আমিও—তপস্যা কৰি পুণ্য লোক প্ৰাপ্ত হ'বলৈ চেষ্টা কৰিম।" কুন্তী আৰু মাদ্ৰীয়ে ক'লে।

পাণ্ডুৰজাই বাধ্যত পৰি তেওঁৰ পত্নীদ্বয়ৰ প্ৰস্তাৱ মানি ল'লে আৰু পত্নীদ্বয়ৰে সৈতে বানপ্ৰস্থৰ বৰ্ণহীন নীৰস-নিৰ্ভাৰ জীৱন অতিবাহিত কৰাৰ সংকল্প কৰিলে।

'ভীমৰ পাতাল-প্ৰবেশ'

সন্দেহই মূৰ দাঙিলে।

পুত্ৰহীনে যিমানেই তপস্যা নকৰক, পুণ্যলোকলৈ যাব নোৱাৰিব।

তেওঁ ভাবিলে: মোৰ সমান বা মোতোকৈ উত্তম কোনোবা ক্ষত্ৰিয়ই যদি মোৰ পত্নীদ্বয়ৰ গৰ্ভত পুত্ৰৰ জন্ম দিয়ে—তেনেহ'লে হয়তো পুণ্যলোক পাব পাৰিম।

কথাটো তেওঁ কুন্তীক ক'লে; কিন্তু কুন্তী এই প্ৰস্তাৱত সন্মত নহ'ল। পাণ্ডুৰজাই কুন্তীক বুজাই ক'লে, ক'লে যে অন্য কোনো উপায় নাই: আৰু এইদৰে কুন্তীৰ সন্মতি একপ্ৰকাৰে পালে।

কুন্তীয়ে পতিক ক'লে, "সকতে দুৰ্বাসামুনিয়ে এটি মন্ত্ৰৰ উপদেশ দিছিল—যি-মন্ত্ৰ জপ কৰি থাকিলে যিকোনো দেৱতায়েই দেখা দিব আৰু বৰ প্ৰদান কৰিব। কওক, এতিয়া মই কোনজন দেৱতাক স্মঁৰিব লাগে।"

"বৰ ভাল কথা হ'ল। কৌৰৱবংশৰ ৰজাই ধৰ্মজ হ'ব লাগিব। এতেকে—তুমি ধৰ্ম-দেৱতাক স্মৰণ কৰা।" পাণ্ডুৰজাই আনন্দৰে ক'লে।

কুন্তীয়ে মন্ত্ৰ মাতিলে, আৰু যমৰাজে দেখা দিলে। যমৰাজৰ কৃপাত কুন্তী গৰ্ভৱতী হ'ল।

গান্ধাৰী যদিও এবছৰৰ আগৰেপৰাই

তিনিও মূল্যৱান পৰিচ্ছদ ত্যাগ কৰি বল্কল—অৰ্থাৎ গছৰ ছাল পিন্ধিলে আৰু তেওঁলোকে লগত লৈ অহা দাস-দাসী-ইতক হস্তিনাপুৰলৈ প্ৰেৰণ কৰিলে।

পাছত তেওঁলোকে কোনোবা এঠাইত নিগাজ হৈ নাথাকি—নগশত পৰ্বত। চৈত্ৰৰথ, কালকূট, হিমবন্ত, গন্ধমাদন, হংসকূট আদি স্থানলৈ কিছুদিনকৈ থাকিল, আৰু অৱশেষত গৈ গৈ শতশৃংগ-পৰ্বত পালেগৈ। তাত অনেক মুনি উপস্থিত আছিল। পাণ্ডুৰজায়ো তেওঁ-লোকৰ লৈতে ঘোৰ তপস্যামগ্ন হ'ল।

কিন্তু তেতিয়া তেওঁৰ মনত এক

গৰ্ভৱতী হৈ আছিল, তথাপি, কুন্তী পুত্ৰৰ মাতৃ হোৱাৰ পাছতো গান্ধাৰীৰ কোনো সন্তান নোপজিল। কুন্তীৰ এই পুত্ৰৰ নাম—যুধিষ্ঠিৰ।

পাণ্ডু ৰজাই এটি বলশালী পুত্ৰৰ কামনা কৰিছিল। বায়ুদেৱক কুন্তীয়ে সুঁৰৰিলে, আৰু পাছত বায়ুদেৱতাৰ ঔৰসত কুন্তীৰ গৰ্ভত যিটি পুত্ৰ উপজিল—সেই পুত্ৰটিৰ নাম আছিল—ভীমসেন। ভীম যেতিয়া মাতৃক্ৰোড়ত, তেতিয়া এক বিচিত্ৰ ঘটনা ঘটিল। তাত ক'ৰবাৰপৰা এটা বাঘ ওলাল। কুন্তীয়ে ভয় খালে আৰু কোলাত থকা পুত্ৰটিৰ কথা বিস্মৃত হৈ উঠি থিয় দিলে। ভীমে এচটা শিলৰ ওপৰত পৰিলগৈ আৰু সেই শিলচটা তৎক্ষণাৎ খণ্ড-বিখণ্ড হ'ল। এই ঘটনা দেখা পাই তাত উপস্থিত থকা সকলোটিয়েই আচৰিত মানিলে আৰু এই ঘটনাৰ বাবেই মুনিগণে এই পুত্ৰটিৰ নাম দিলে—ভীমসেন।

তাৰ পাছত পাণ্ডু ৰজাৰ মন গ'ল এক অসাধাৰণ পুত্ৰ লভিবৰ। আৰু পাণ্ডুৰ এই ইচ্ছা পূৰণৰ বাবে কুন্তীয়ে এইবাৰ ইন্দ্ৰদেৱতাক সুঁৰৰিলে, আৰু ইন্দ্ৰৰ ঔৰসত কুন্তীৰ গৰ্ভত জন্ম হ'ল অৰ্জুনৰ।

হস্তিনাপুৰত গান্ধাৰীয়ে প্ৰসৱ কৰিলে সাতপুত্ৰ, আৰু শতশৃংগপৰ্বতত কুন্তীয়ে ত্ৰিপুত্ৰ। পাণ্ডু ৰজাই কুন্তীৰপৰা আৰু অনেক পুত্ৰ লভিবৰ আশা পালিছিল।

কিন্তু কুন্তী অস্বীকৃতা হ'ল।

মাদ্রীয়ে পাণ্ডুৰজাক ক'লে, "কুন্তীয়ে মন্ত্ৰবলেৰে তিনি পুত্ৰৰ মাতৃ হ'ল ; মোৰো এই অধিকাৰ আছে। ময়ো কিয় মাতৃ নহ'ম ? কথাটো পাণ্ডুৰজাই কুন্তীক কোৱাত কুন্তীয়ে মাদ্ৰীক মন্ত্ৰ দিলে।

মাদ্ৰীয়ে অশ্বিনী দেৱতাদ্বয়লৈ আৰাধনা কৰিলে আৰু অশ্বিনীৰ সহযোগেৰে নকুল আৰু সহদেৱক লভিলে। মাদ্ৰীয়ে পুনৰ সেইমন্ত্ৰ বিচৰাত কুন্তী অস্বীকৃত হ'ল।

এবছৰৰ পাছে পাছে ওপজা পুত্ৰদ্বয়ক দেখি পাণ্ডুৰজাই যথেষ্ট প্ৰসন্ন হ'ল। আৰু এই পুত্ৰসকল গুৰুদ্বাৰা বেদ শিক্ষা দিল।

বসন্তঋতুত এদিন কুন্তী যেতিয়া ব্ৰাহ্মণ-পূজাত মগ্ন হৈ আছিল, তেতিয়া পাণ্ডুৰজা মাদ্ৰীৰ ওচৰলৈ গ'ল আৰু কাম-বাসনাৰে উত্তেজিত হৈ আলিংগনাৰম্ভ কৰি ল'লে আৰু তেতিয়াই কিন্দম মুনিৰ অভিশাপ ফলৱতী হৈ পাণ্ডুৰজাৰ মৃত্যু হ'ল।

পতিৰ মৃতদেহৰ ওপৰত পতিত হৈ মাদ্ৰীয়ে বিলাপ কৰিবলৈ ধৰিলে। কুন্তী আৰু অন্য মুনিসৰে এই বিলাপধ্বনি শুনি লৰৰি আহিল আৰু ঘটনাদৃষ্টে আশ্চৰ্য্যান্বিত হ'ল। মাদ্ৰীয়ে কুন্তীক একাষৰীয়াকৈ মাতি নি পাণ্ডুৰজাৰ মৃত্যুৰ কাৰণৰ কথা ক'লে।

কুন্তীয়ে ক'লে, "মাদ্ৰী, তুমি কি কৰিলা যে! মুনিৰ অভিশাপৰ কথা সদা-সৰ্বক্ষণ মই মনত ৰাখিছিলোঁ আৰু তেওঁক ৰক্ষা কৰিছিলোঁ নিজে সাৱধান হৈ থাকি। তুমি কিয় স'ৱধান হৈ নাথাকিলা? এতিয়া আৰু কৰিবলগা একো নাই। মই তেওঁৰ সৈতে সহমৰণলৈ যাম, তুমি পুত্ৰসকল পালি থাকিবা।"

মাদ্ৰীয়ে কান্দি কান্দি ক'লে, "মই পাপিষ্ঠাই পতিকে যেতিয়া ৰক্ষা কৰিব নোৱাৰিলোঁ, পৰলোকত যদি সুখী কৰিব পাৰোঁ, সেই আশা বুকুত বান্ধি লৈ মই সহমৃতা হম।" পাণ্ডুৰজাৰ সৈতে মাদ্ৰী

সহমৃতা হৈ সতী হ'ল।

আৰু শতশৃংগত থকা মুনিসৰে কুন্তী আৰু পাণ্ডৱসকলক লগত লৈ হস্তিনাপুৰ পালেগৈ। ব্যাসও হস্তিনাপুলৈ আহিছিল।

ব্যাসৰ পৰামৰ্শত সত্যৱতীয়ে অম্বিকা আৰু অম্বালিকাক লৈ তপস্যা কৰি জীৱন অতিবাহিত কৰাৰ বাবে অৰণ্যলৈ গ'ল আৰু তাতেই ঘোৰ তপস্যা কৰি মৃত্যুলোক পালেগৈ।

তেতিয়া পাণ্ডৱ আৰু কৌৰৱসকল একেলগেই আছিল। সকলোটি মিলা-প্ৰীতিৰে আছিল, খেল-ধেমালি কৰিছিল। খেলাৰ ভিত্তিত নানান ধৰণৰ প্ৰতি-যোগিতাও হৈছিল, আৰু সকলো প্ৰতি-যোগিতাত ভীমেই বিজয়ী হৈছিল। ভীমে একেলগে দহজনক কঢ়িয়াই লৈ দৌৰিব পাৰিছিল, যাকে-তাঁকে শূন্যলৈ দলিব দৰে দলিয়াই মজা কৰিছিল।

কেতিয়াবা কেতিয়াবা ভীমে ডাঙৰ ডাঙৰ ফলৰ গছ হেলাৰঙে উপৰি পেলাইছিল। কিন্তু ভীমৰ এনেবোৰ খেলা, আনৰ ভীতিৰ কাৰণ হৈছিল।

দুৰ্য্যাধনে উপলব্ধি কৰিছিল, ভীম জীয়াই থাকেমানে তেওঁৰ নেতৃত্ব কোনেও নামানে। দুৰ্য্যাধনে জানে—যোগ্যভোগ্য বসুন্ধৰা। ভীমলৈ ভীত নোহোৱা কৌৰৱ পাণ্ডৱৰ মাজত কোনো নাই। গতিকে—ভীমৰ মৃত্যু বিনে দুৰ্য্যাধনৰ মান-সন্মান

উদ্ধাৰৰো আন উপায় নাই।

ভীম নোহোৱা হ'লে বাকীবোৰে যে তেওঁৰ কথা মানিব, তেওঁৰ নেতৃত্বতে উঠা-বহা কৰিব, সেই কথাত দুৰ্য্যোধনৰ কণমাত্ৰ সন্দেহো নাই। যুধিষ্ঠিৰ আছিল শান্ত-স্বভাৱৰ, অৰ্জুনে অগ্ৰজৰ অনুমতিবিনে এখোজো নিদিয়ে—এটা কামো নকৰে। নকুল আৰু সহদেৱ নিচেই নিৰ্জু স্বভাৱৰ। এই পাণ্ডৱচতুষ্টয়ে কৌৰৱইঁতৰ লগত কদাপি কাজিয়া-বিবাদো নকৰিছিল।

কিন্তু ভীমেই দুৰ্য্যোধনৰ চকুৰ কুটা-দাঁতৰ শূল। দুৰ্য্যোধনে, বা অন্যান্য কৌৰৱেও যেতিয়া কিবা অন্যায়-অন্যায্য কাম কৰিছিল বা কিব কৈছিল, ভীমে জঁপিয়াই পৰিছিল তাৰ বিৰুদ্ধে আৰু সেই কথাৰ চয়-নিচয় কৰিহে এৰিছিল। কৌৰৱইঁতে কেতিয়াবা পাণ্ডৱইঁতৰ সৈতে যদি কিবা কথাত লাগিছিল, ভীমে তেতিয়াই কৌৰৱইঁতক দণ্ড দিছিল। ভীমৰ বিৰুদ্ধে থিয় দিব পৰা কৌৰৱইঁতৰ মাজত কোনো নাছিল। ভীমৰ আগত দুৰ্য্যোধনো আছিল অতি সামান্য।

এতিয়া দুৰ্য্যোধনৰ আগত মাত্ৰ এটাহে উপায় আছে, ভীমৰ মৃত্যু। ভীমৰ মৃত্যু বিনে এই অৱস্থাৰ প্ৰতিকাৰ সম্ভৱ নহয় যে—সেই কথাটো দুৰ্য্যোধনে সুস্থিৰ ভাবে স্থিৰ কৰিলে। আৰু দুৰ্য্যোধনে অহোৰাত্ৰি তাৰেই প্ৰতীক্ষা কৰি থাকিল।

গংগা নদীৰ তীৰত প্ৰমাণকোটিস্থল নামক এডোখৰ ঠাই আছিল, তাত জলক্ৰীড়াৰ কাৰণে আছিল সৰোবৰ, যি-সৰোবৰৰ চাৰিওফালে সোপান আছিল, আছিল উদ্যান-বন আৰু অতি সুদৃশ্য অট্টালিকাসমূহ। এই সকলোবোৰেই দুৰ্য্যোধনে তেওঁৰ নিজৰ কাৰণে নিৰ্মাণ কৰি লৈছিল।

এদিন স্থিৰ কৰা হ'ল যে—কৌৰৱ-পাণ্ডৱৰ সকলো ৰাজকোঁৱৰ সেই উদ্যান-বনলৈ যাব ৰং-ধেমালি কৰিবলৈ আৰু বন-

Sankar...

ভোজ খাবলৈ তথা মজা মাৰিবলৈ।

বিধোবিধ সোৱাদ সোৱাদ আহাৰ্য্য প্ৰস্তুত কৰা হ'ল আৰু কৌৰৱ-পাণ্ডৱৰ সকলো কোঁৱৰক সেই প্ৰমাণকোটিস্থললৈ লৈ অহা হ'ল।

খেল-ধেমালি কৰাৰ পাছত সকলোটি খাবলৈ বহিল। দুৰ্য্যোধন বহিছিল ভীমৰ কাষতে। দুৰ্য্যোধনে ভীমৰ সৈতে অতি মিঠা মিঠা কথা পাতি থাকিল আৰু কথাই কথাই ভীমৰ আহাৰ্য্যবস্তুত বিষ মিশ্ৰিত কৰি থাকিল। সেই বিষাক্ত খাদ্য ভীমে পেটপূৰাই খালে আৰু খোৱা-বোৱাৰ পাছত জল-ক্ৰীড়াও কৰিলে। আৰু তাৰ পাছতহে আৰম্ভ হ'ল বিষক্ৰিয়া!

আৰু এই বিষক্ৰিয়াৰ ফলত এসময়ত ভীম অচেতন হৈ পৰিল, আৰু লগে লগে ভীমৰ হাত-ভৰি কটকটীয়াকৈ বান্ধি দুৰ্য্যোধনে ভীমক উত্তাল গংগাৰ বুকুলৈ সজোৰে নিক্ষেপ কৰিলে।

ভীমে এইবোৰ কথাৰ ভু নাপায়। তেওঁ গংগাৰ বুকুৰেদি গৈ গৈ পাতাললোক পালেগৈ।

পাতালত বিষাক্ত সৰ্পবোৰে ভীমক দংশন কৰিলে আৰু সেই সৰ্প বিষে দুৰ্য্যোধনৰ-প্ৰদত্ত বিষক নিষ্ক্ৰিয় কৰি পেলালে।

এইবাৰ ভীমে পাতালৰ মহাসৰ্প-বিলাককো যেতিয়া মাৰি পেলাবলৈ ধৰিলে, তেতিয়া এই সম্বাদ পাই বাসুকি লৰৰি আহিল আৰু ভীমক দেখা পাই তেওঁ জানিলে যে ভীম—দৰাচলতে তেওঁৰ মিত্ৰ। কিয়নো—কুন্তীৰ পিতৃ শূৰ আছিল বাসুকিৰ ভনীয়েকৰ ল'ৰা।

বাসুকিয়ে ভীমক তেওঁৰ আবাসলৈ লৈ গ'ল, আৰু ভীমক এক আশ্চৰ্য্য ৰস পান কৰিবলৈ দিলে, যি ৰস পান কৰিলে সহস্ৰ হস্তীৰ বল প্ৰাপ্ত হয়। ভীমে সেই প্ৰমত্ত-ৰস পান কৰি অতি প্ৰসন্ন চিত্তেৰে গভীৰভাৱে নিদ্ৰাভিভূত হ'ল। [আগলৈ



যাৰ বিকল্প নাই

লোকনাথ আছিল এজন আঢ্যৱন্ত খেতিয়কৰ একমাত্ৰ পুত্ৰ। চহৰত উচ্চশিক্ষা সমাপ্ত কৰাৰ অন্তত সি, তাৰ গাঁৱতে আছিল, আৰু গাঁৱত থাকি গাঁৱৰ লোকক নানান ধৰণে ইতিকিং কৰিয়েই সৰহভাগ সময় কটাইছিল।

যদিও — কেতিয়াবা কেতিয়াবা লোকনাথে ভাবিছিল: কি হ'ল, মই উচ্চশিক্ষা পায়ো এইখন ঘোকোট গাঁৱতে সোমাই আছোঁ। মোৰ দৰে তাৰ্কিক-ভাষাবিদ দহোখন গাঁৱতে বিচাৰি পাবলৈ নাই; কিন্তু মোক দেখোন কোনেও নিদিয়ে ওখ ঠাই!

অতি সৰুসুৰা কথাতো লোকনাথে গাঁৱলীয়াইতক জোকাই ল'ব পাৰে, লয়; আৰু তাৰ ফলত গাঁৱলীয়াসকলো লোকনাথৰ ওপৰত বিৰক্ত হয়। লোকনাথে কথাটো বুজে; কিন্তু তথাপি সি অনাৱশ্যক কথাতো গাঁৱলীয়াৰ লগত মুখেৰে যুঁজে।

এবাৰ গাঁৱৰে এটা ডাঙৰ পুখুৰীৰ পাৰত বহি লোকনাথে তাৰ বন্ধু এজনৰ সৈতে আড্ডা মাৰি থাকোঁতে গুৰুনাথ নামৰ হালোৱা মানুহ এজন সেই বাটেদি গৈ আছিল অকে গুৰুনাথক দেখা পায়েই লোকনাথে ইতিকিং কৰি থাকিল।

লোকনাথে গুৰুনাথক ৰখলে আৰু ক'লে, "ধৰা, এচটা ডাঙৰ শিল পুখুৰীত পেলালোঁ। ডুবিব তো—হয়েই। কিন্তু কিয় ডুবিব ক'ব পাৰিবানে?"

গুৰুনাথে হাঁহি মাৰি ক'লে, "ডাঙৰ নালাগে—সৰুতকৈও সৰু শিলৰ টুকুৰা এটি হ'লেও ডুবিবই। শিলে সাঁতুৰিব

ৰসিক বৰ্মন

নাজানে, গতিকে ডুবিবই ডুবিব।"

কেৱল লোকনাথেই নহয়, তাৰ সৈতে আড্ডা মাৰি থকা বন্ধুজনেও শুকনাথৰ উত্তৰ শুনি হো হো কৰে হাঁহি উঠিল।

লোকনাথে শুকনাথক ক'লে, "তোমাৰ কথা একেবাৰেই ভুল আচল কথা হ'ল— ভূমিৰ আকৰ্ষণ-শক্তি। বুইছা, শিলৰ ওজনেই হ'ল শিল ডুবি যোৱাৰ কাৰণ।"

শুকনাথে ভুরু কোঁচাই ক'লে, আপোনালোকে হো হোৱাই হাঁহিলে কিয় বুজা নাই। মই যি ক'লোঁ— আপোনাৰ মুখেৰেও তাকেই কোৱাওঁনে?"

"কোওৱাচেন—।" লোকনাথে ফেৰ পাতিলে। শুকনাথে ক'লে, "মাছ এটা মুডুৰে কিয়?"

"কিয় ডুবিবহে—? মাছ হ'ল জীয়া প্ৰাণী।" লোকনাথে লপ লপ কৰে কৈ উঠিল।

"জীয়া হ'লেও মাছৰ ওজন আছে।"

"ওজন থাকিল কি হ'ল, মাছে সাঁতুৰিব জানে নহয়—?" কথাটো কৈয়েই লোকনাথ কেঁচামুৰা যেন হৈ ক'লা পৰিল।

তেতিয়া শুকনাথে ক'লে, তেনেহ'লে —মোৰ কথা সঠিক আছিল নহয় যে— সাঁতুৰিব নজনা বাবহে শিল ডুবিব। এতিয়া কওক, মোৰ উত্তৰ সঠিক আছিলনে নাছিল— কওকেই।"

এইবাৰ পৰাজয়ৰ পানীত পৰা লোকনাথে সাঁতুৰি পাৰ পাবলৈ চেষ্টা কৰি ক'লে, "তথাপি — জ্ঞানৰো এটা কথা আছেই নহয়—? হে হে—বুইছা—।"

শুকনাথে ক'লে, "বুইছোঁ। জীৱনত ইমানকে বুইছোঁ যে গিয়ান শিল নহয়, প্ৰকৃত গিয়ান হ'ল সেই মাছৰ দৰে জীৱন্ত জীৱন। তৰ্ক-গিয়ান, শাস্ত্ৰ-গিয়ান— যি-গিয়ানেই নহওক—জীৱনৰ কাৰণে বাস্তৱবুদ্ধিৰ উম থকা প্ৰকৃত ব্যৱহাৰিক গিয়ান—যাৰ বিকল্প নাই।"

লোকজ্ঞান

ৰাঘৰ ভালৰো ভাল ; কিন্তু সেয়ে হ'ল তাৰ কাল। যেয়ে যি কৰি-ধৰি দিবলৈ কয়, ৰাঘৰে নোৱাৰোঁ বুলি নকয় ; কিন্তু তাৰ এই সদ্‌গুণেই কেতিয়াবা তাৰ দুখৰো কাৰণ হয়। ছল-ছন্দ ফান্দ-ফন্দ ভুৰা-আভুৰা কাক কয়—ৰাঘৰে আজিপধ্যে নাজানে বা নামানেও। কিন্তু মাক নোহোৱা ৰাঘৰৰ এই সহজ স্বভাৱৰ কাৰণেই তাৰ দেউতাক বৰ চিন্তাত।

এদিন ৰাঘৰহঁতৰ ঘৰলৈ এজন সাধু-বাবা আহিল। ৰাঘৰক দুৱাৰমুখতে পাই, দুটি-এটি কথা সুধি, সাধুবাবাই ৰাঘৰৰ দেউতাক ৰাখহৰিৰ ওচৰত তেওঁৰ এই পো-টিৰ প্ৰশংসাত পঞ্চমুখ হ'ল।

কিন্তু তথাপি বিষাদগধুৰ যেন লগা ৰাঘৰৰ দেউতাকে সাধুবাবাক ক'লে, "হে মহাত্মা, সি যে সদ্‌গুণী—আমিও নজনা নহয়। কিন্তু—হৰিণাৰ যেনেকৈ মঙহেই কাল, তাৰো তেনেকৈ এই সদ্‌গুণেই কাল। সকলোটিয়েই তাৰ এই সদগুণৰ সুবিধা লয় আৰু তাক ঠগে। এই বিষয়ে তাক বুজাই কোৱাসত্বেও সি বুজাত নাই। এতিয়াও সি নাওমান ছলি, আৰু গ'ল ভাল বোলোঁতে ভলি। আৰু—ভূতৰ ওপৰত দানহ পৰাদি আপুনিও পৰিল, আৰু তাৰ সততাৰ ইচ্ছা আৰু চৰিল। গতিকে —আপোনাৰ প্ৰশংসাৰে ইষ্ট নহ'ব, অনিষ্টহে হ'ব যেন পাওঁ।"

সাধুবাবাই ৰাঘৰৰ দেউতাক ৰাখহৰিক যথোচিত সান্ত্বনা প্ৰদান কৰিলে আৰু ক'লে, "তোমাৰ পুত্ৰৰ দৰে সুপুত্ৰ সংসাৰত বৰ বেছি নোপজে। আগলৈ তোমাৰ

'বাউলা'

পুত্ৰটিৰ নাম মানৱ সমাজৰ আদৰ্শৰূপে জিলিকি থাকিব। তাৰ সদগুণৰ সীমা নাই ; যদিও—তাৰ মাজত লোকজ্ঞানৰ কিছু অভাৱ পৰিলক্ষিত হৈছে। মই তাক —যদি তোমাৰ সন্মতি দিয়া—তাক মই মোৰ লগত লৈ যাম, আৰু দুই বছৰকাল আৰম্ভিক লোকজ্ঞানৰ শিক্ষাৰে শিক্ষিত কৰি আকৌ থৈ যাম। তোমাৰ চিন্তাৰ হেতু নাই।"

কিন্তু পুত্ৰক এৰি থাকিব নোৱৰা ৰাখহৰি—হেতু নথকা সত্বেও অহেতুক অতিশয় চিন্তিত হৈ উঠিল।

সাধুবাবাই ক'লে, "মই এতিয়া তীৰ্থলৈ ওলাইছোঁ। মোৰ তীৰ্থ-পৰিভ্ৰমণ যেতিয়া সমাপ্ত হ'ব, তেতিয়া কুসমা নদীৰ তীৰস্থ কুসুমপুৰলৈ তাক পঠাবা।"

তাৰ পাছত সাধুবাবাই ৰাঘৱক ক'লে, "শুনা, ভালৰ বৰণ বগা, বেয়াৰ বৰণ ক'লা, বগা-ক'লাৰ এই প্ৰভেদ চিনি পোৱা হ'ব লাগিব। সুবুদ্ধিও বেয়াৰ লগ ল'লে বেয়াই বেয়াহে কৰিব, তোমাৰ সদগুণ বদগুণ হৈ যাব।"

ৰাঘৱে বিনম্ৰতাৰে ক'লে, "মই বেয়া কামলৈ চকু নিদিওঁ, বেয়া কথা নুশুনো : গতিকে—বেয়া যে কি—তাকো মই নাজানো।"

সাধুবাবাই তাক আশীৰ্বাদ কৰি ক'লে, "আজিৰপৰা সৰ্বমঙ্গ তোমাৰপৰা আঁতৰি থাকক, তোমাক কোনেও প্ৰবঞ্চনা নকৰক। যেতিয়া তুমি মোৰ ওচৰলৈ যাবা, তেতিয়া তোমাক ভাল-বেয়াৰ প্ৰকৃষ্ট জ্ঞান প্ৰদান কৰিম।"

এই আশীৰ্বাদ পোৱাৰ পাছত কথা বৰ বিচিত্ৰহে হৈ পৰিল। কোনো মানুহেই ৰাঘৱৰ কাষকে চপা নহ'ল। এই কথাত ৰাঘৱ বিষাদগ্ৰস্ত হৈ পৰাত তাৰ দেউতাকে তাক ক'লে, "সেইবোৰ আছিল বেয়া মানুহ, সেইহে এতিয়া আৰু কাষ নচপা হ'ল। এই সকলো কথা-কাণ্ড সাধুবাবাৰ

মহিমাৰ ফলত হ'ল।"

ছুবছৰ অতিক্ৰান্ত হ'ল। ৰাঘৱৰ দেউতাক ৰাখহৰিৰ তেতিয়া চাউল টুটি অহা অৱস্থা। মৃত্যুমুখী ৰাখহৰিয়ে ৰাঘৱক ক'লে, "বোপা, মোৰ যাবৰ হ'ল। মোক যিখিনি মাটি-বাৰী আছে, বেচিলে কমেও ত্ৰিছ হেজাৰ মুদ্ৰা পাবা। মোৰ মৃত্যুৰ অন্তত যিজনে এই দাম দিব, তেওঁকে বেচিবা আৰু আৰু তাৰ পাছত সেই মুদ্ৰাখিনি লৈ কুসুমপুৰলৈ — সাধুবাবৰ আশ্ৰমলৈ গুচি যাবা। তাত তুমি ক'ত থাকা-কি কৰা—সাধুবাবায়েই তোমাক ক'ব। সাধুবাবাই কোৱা ছুবছৰৰ ম্যাদ পূৰা হ'বৰ হ'ল। মনত ৰাখিবা, তাৰ আগলৈকে তুমি কাৰো কথাত বিশ্বাস কৰিব নালাগে।"

প্ৰায় সাতদিনৰ মানৰ পাছত ৰাঘৱৰ দেউতাক ঢুকাল। যিজন চুবুৰীয়া ৰাঘৱকে তাৰ পিতৃশোকত অধিক সান্ত্বনা দিছিল, ৰাঘৱে সেইজনৰ ওচৰত তাৰ দেউতাকে কৈ থোৱা সকলো কথা কৈছিল। তেওঁ আছিল এজন সম্পদশালী খেতিয়ক। ৰাঘৱৰপৰা তেৱেঁই ৰাখহৰিৰ মাটি-বাৰীখিনি কিনি ল'লে আৰু ৰাখহৰিয়ে কৈ থৈ যোৱা দাম ত্ৰিছহেজাৰ মুদ্ৰা ৰাঘৱক দিলে।

এই কথ জানি ৰাঘৱৰ বন্ধু গণপতিয়ে তাক ক'লেহি, "বন্ধু, ইমানখিনি মুদ্ৰা লগত লৈ অকলে অকলে ক'লৈকো যোৱাটো উচিত নহ'ব, চোৰ-ডকাইত-লুটিয়াৰইত আছেই। গতিকে—কাম এটা কৰিবানে কি—ভাবি চোৱা। —আমাৰ গাঁৱৰে নাম-ডাক থকা জহৰী জহৰলালৰ ওচৰত এডোখৰ প্ৰকাণ্ড হীৰা আছে, হীৰাডোখৰ কিনি য'তে ত'তে লুকাই লৈ তুৰন্তে গুচি যোৱা!"

জহৰলালৰ ওচৰত হীৰা এডোখৰ যে আছে—সঁচা। কিন্তু আচলতে বেচা-নোযোৱা হীৰাডোখৰ কোনোবা ধন থকা বুৰ্বকৰ ওচৰত বেচাৰহে এয়া ছল-ছন্দ।

গণপতিৰ লগত এই ফন্দী কৰোঁতে জহৰৰ জীয়েক জয়ললিতাই আঁৰৰপৰা শুনিছিল। ৰাঘৱক তাই ভাল পাইছিল বহুদিনৰেপৰা পিছে— কাহানিও দেউতাকক কোৱা নাছিল। কিয়নো—তেওঁ যে ৰাঘৱক বিয়া কৰোৱাত মত নিদিয়ে—জানে তাই।

ৰাঘৱে গণপতিৰ কথা মানি গৈ জহৰী জহৰলালৰপৰা ত্ৰিছ হেজাৰ মুদ্ৰাৰে হীৰাডোখৰ কিনি ল'লে। জহৰলালে সেই মুদ্ৰাখিনি চন্দুকত থৈ দিবলৈ দিলে জীয়েক জয়ললিতাৰ হাতত।

জয়ললিতাই ৰাঘৱে দিয়া মুদ্ৰা ত্ৰিছ হেজাৰ চন্দুকত থৈ দিলে, কিন্তু দেউতাকৰ আলমাৰীৰপৰা ত্ৰিছটি সোণৰ মোহৰ লৈ মোনা এটাত ভৰালে। প্ৰতিটো মোহৰৰ দাম আছিল এহেজাৰ মুদ্ৰা। তাই ৰাঘৱলৈ চিঠি এখনো লিখিলে আৰু সেই মোনাটোত ভৰাই দিলে।

সেইখন চিঠিত তাই লিখিছিল :

মই তোমাক ভাল পাওঁ। সাধুবাবাৰ আশ্ৰমৰপৰা উভতি আহি মোক বিয়া কৰাবানে ? দেউতাই তোমাক নকলী হীৰা দি ঠগিলে। সেই কাৰণে মই তোমাক তোমাৰ মুদ্ৰা ত্ৰিছ হেজাৰ মূল্যৰ সোণৰ মোহৰ দিলোঁ'!

ইপিনে—জহৰী জহৰে তেওঁৰ পৰিবাৰ জয়দেৱীক ক'লে, "ৰাঘৱক মই হীৰাডোখৰৰ বজাৰ-দাম যদিও চল্লিছ

হেজাৰতকৈ কম নহয়, তথাপি. দিলোঁ তাক দহহেজাৰ কম দামত। ৰাঘৰ—হাজাৰ হওক আমাৰেই ল'ৰা। তাক কম দামত দি অলপ পুণ্য অৰ্জিলোঁ। হীৰা-ডোখৰ লৈ আহঁ', আৰু তাক দিয়া।"

গিৰিয়েকৰ গতি-গোত্ৰ জয়দেৱীয়ে নজনা নহয়। গতিকে—নকলী হীৰাৰ সলনি জয়দেৱীয়ে আচলী হীৰাডোখৰ লৈ আহিল আৰু ৰাঘৱক দিলে।

জয়ললিতাই মোনাটো ৰাঘৱক দিলে আৰু ক'লে, "বাটত যদি ভোক লাগে, মোনাটো খুলি খাবা।"

ৰাঘৱে ঘৰ পায়েই জয়ললিতাই দিয়া মোনটো খুলি সোণৰ মোহৰ আৰু চিটিখন পালে, আৰু চিঠিখন পঢ়ি বুজি পালে যে—জহৰী জহৰলাল কিমান ছলগ্ৰাহী!

ৰাঘৱে সৰু চন্দুক এটাত লাগতিয়াল বস্তু কিছু খিনি ভৰাই লৈ ওলাল। বাটত এজন সহযাত্ৰীক পাই ভাল পালে। কিন্তু এই সহযাত্ৰীটিও যে আচলতে ফন্দিয়ক—কেনেকৈ জানিব? তিমানতে কথাই কথাই ৰাঘৱে তাৰ এই সহযাত্ৰীৰ ওচৰত সকলো কথা কৈয়েই পেলাইছিল।

বহুখিনিলৈকে যোৱাৰ পাছত দুয়ো জিৰণি ল'বলৈ ৰহিল। সহযাত্ৰীয়ে ৰাঘৱক ক'লে, "মোক টোপনিয়ে বৰকৈ জোকাইছে? মোৰ এই মোনাটোত মুদ্ৰা আছে। প্ৰায় আঢ়ৈ লাখ। মই অলপ

টোপনিয়াওঁ, তুমি পৰ দি থাকা এইবোৰ আৰু তাৰ পাছত তুমি মাৰিবা টোপনি, মই দিম পৰ। আৰু তাৰ পাছত দুয়ো খোজ ল'ম পুনৰ।"

ৰাঘৰেও 'ওঁ' বুলি ক'লে, আৰু সহযাত্রীয়ে শুই নিহপালী দিলে। খানিক পাছত সহযাত্রীয়ে পালে সাৰ, আৰু হামি উঠিল ৰাঘৰৰ। ৰাঘৰৰো দুচকুত টোপানিৰ জাল, নাজানিলে বৰি-বকৰা দিলে লাল-কাল। আৰু এই কাল-কালেই কাল হ'ল তাৰ। যাব যেতিয়া পালে সি, নাই আৰু সেই সহযাত্রী। আৰু সেই সহযাত্রীয়ে তাৰ টোপোলাৰ সৈতে ৰাঘৰৰখিনিও লৈ কেনিবালৈ পলাই পত্রং দিলে।

সকলো হেৰুৱাই ৰাঘৰ এতিয়া নিজেও একপ্রকাৰে সাধুবাবায়েই হ'ল; তথাপি কুসুমপুৰলৈ গ'ল।

সহযাত্রী ভায়াই কিছুদুৰলৈ যোৱাৰ পাছত ৰাঘৰৰ টোপোলাটো খুলিলে। আৰু খুলিয়েই জঁাপ মাৰি পিছুৱাই গ'ল। টোপোলাটোৰ ভিতৰত কিচ কিচ কৰে ক'লা সাপ এটা, আৰু সাপটোৰ মূৰৰ সোঁমাজত এটা জলমলীয়া মণি! সহযাত্রী ভায়াই টোপোলাটো পুনৰ বন্ধ কৰি দিলে আৰু এই নাগমণিৰ মূল্য লাখ-কোটি মুদ্রা হ'ব বুলি ভাবি—সাপধৰা-সাপনচুৰা মানুহ এজনৰ ওচৰলৈ লৈ গ'ল।

সাপ-ধৰা মানুহজনৰ আনন্দই নধৰা হ'ল। সেই দেশৰ ৰাজকোঁৱৰৰ টানবো টান বেমাৰ, আৰু ৰাজবৈদ্যই কৈছে যে সাপৰ মণিৰ স্পৰ্শেৰেহে এই বেমাৰ ভাল হ'ব, নহ'লে ৰাজপুত্রৰ কি হ'ব কোৱা টান। ৰজাই ঘোষণা কৰিছিল: যিজনে আনি দিব সাপৰ মণি, সেইজনে পাব ৰজাৰ আধাখিনি।

সাপধৰা মানুহজনে সহযাত্রীক ক'লে, "একেৰাহে দুই দিন কৰিম পূজা, তেহে ইয়াক ছুব পাৰিম। তুমি দুটা দিন ৰ'বা।"

দুদিনৰ ভিতৰ সাপ-ধৰা মানুহজনে

দেখাত আন এটা হুবহু তেনেকুরা টোপোলাত মণিৰ সলনি কাঁচ এটুকুৰা থৈ দিলে আৰু দুদিনৰ পাছত সহযাত্ৰীক ক'লে, "মোৰ পূজাত সৰ্প দেৱতা তুষ্ট হ'ল আৰু তাৰ ফলত এতিয়া এই সৰ্প হ'ল আগতকৈও অধিক মূল্যৱান। মোক পাঁচুটি মুদ্ৰা দিয়া আৰু তোমাৰ টোপোলাটি লৈ যোৱা।"

সহযাত্ৰী যেতিয়া গুচি গ'ল, তেতিয়া সাপ-ধৰা মানুহজনে আচল টোপোলাটি খুলি চালে। তাত দেখোন সাপ-তাপ একোৱেই নাই! সাপৰ সলনি আছিল কিছুখিনি সাঁচিপাত!

ঠগামি কৰি ঠগ খাই ঠঠমঠ খালে সাপ-ধৰাই, তথাপি সি আশা নেৰিলে, ভাবিলে: এই সাঁচিপাতত নিশ্চয় মূল্যৱান কিবাকিবি লিখা আছে, দেখা যাওক কিহৰপৰা কি হয়গৈ। সি সাঁচিপাতখিনি এজন পণ্ডিতৰ ওচৰলৈ লৈ গ'ল।

পণ্ডিতে পঢ়িলে, আৰু জানিলে যে সেইখিনিত আচৰিত ধৰণৰ কাব্যহে আছে, ৰজাক দিলে ৰজাই পাব ভাল আৰু দিব তেওঁক সোণৰ থাল। গতিকে — সঁচা কথা নকৈ মিছাকৈ তেওঁ ক'লে, "এ—কোনোবা মূৰুখে আং বাং কিবা লিখি থৈছে, ইয়াৰ কোনো মূল্য নাই। কিন্তু তথাপি এনেবোৰ সাঁচিপাত-তালপাত মই এনেয়ে সাঁচো, থৈ যা, আৰু পঞ্চাছটি মুদ্ৰা লৈ যা।"

সাপ-ধৰাই যেনিবা বাটতে বুটলি পোৱাদি পাই, মুদ্ৰা পঞ্চাছটি লৈ, তাৰপৰা তৎক্ষণাৎ গুচি গ'ল।

লগে লগে পণ্ডিতো ওলাল, ৰাজধানীলৈ গ'ল, ৰজাৰ দৰ্শন লাগে তেওঁক। আৰু সেই ৰাতিছোৱা খাজি-খোৱাত ৰ'ল তেওঁ।

আৰু সেই ৰাতিয়েই ৰাতিফুৰা এটা পণ্ডিতৰ কোঠাত সোমাল। পণ্ডিতে ঘোঁৰা বেচি শুই আছিল। চোৰটোৱে তেওঁৰ

সেই টোপোলাটো খুলি চালে, টোপোলাটো মুদ্ৰাৰে ঠাহ খোৱা। মুদ্ৰাৰে সৈতে হাতত সাৰে ভৰিত সাৰে চোৰটো ওলাই গ'ল। কিন্তু তাক পৰীয়াহঁতে হাতে-লু.ট ধৰিলে। পৰীয়াহঁতে টোপোলাটো খুলি চালে।

এটা কটা মূণ্ড!

'দেখা'ত সাইলাখ ৰাজকোঁৱৰৰ মূৰ! সিহঁতে ততাতৈয়াকৈ ছুয়োটাকে লৈ গ'ল মহাৰাজৰ ওচৰলৈ।

তিমানতে ৰাঘৱে কুসুমপুৰ পাইছিলগৈ।

সাধুবাবাই ৰাঘৱক ক'লে, "ঠিক সময়ত পাইছাহি। নাগম ণৰে ৰাজকোঁৱৰক মৃত্যুমুখৰপৰা ঘূৰাই আনিব পাৰি। সেই সাঁচিপাততে লিখা আছে—সেই মন্ত্ৰ। নাগমণি আৰু সাঁচিপাত আছে মোৰ ওচৰত। তুমি লৈ যোৱা, ৰাজকোঁৱৰক সুস্থ কৰা, আৰু আধা ৰাজ্য ভোগ কৰা। ময়ো তোমাৰ তৈতে ৰাজধানীলৈ যাম। ইমান দিন ধৰি তোমাৰ, তোমাৰ সহযাত্ৰীৰ, সাপধৰা মানুহজনৰ, পণ্ডিতৰ যিবোৰ ঘটনা ঘটিল—সকলো মোৰ তপোবলৰ ফল।

তিমানতে পৰীয়াহঁতে চোৰটোক ৰাজ-দৰবাৰলৈ লৈ আ হি ছি ল আৰু মহাৰাজক সকলো বিবৰণ কৈছিল।

আৰু এনেতে তাত ৰাঘৱো সোমাই আছিল আৰু চোৰৰ হাতত থকা সেই টোপোলাটোলৈ আঙুলিয়াই চিঞৰি কৈ উঠিল, "সেইটো মোৰ!"

ৰাঘৱে মন্ত্ৰ মাতি আৰু নাগমণিৰ স্পৰ্শেৰে ৰাজকোঁৱৰক ভাল কৰি তোলাত মহাৰাজে তেওঁৰ প্ৰতিশ্ৰুত অৰ্দ্ধৰাজ্য ৰাঘৱক দিয়াৰ উপৰিও ৰাজকুঁৱৰীৰ সৈতে তাৰ বিয়া পাতি দিছিল আৰু তাক পালি-ৰজা হিচাপে অধিষ্ঠিত কৰিছিল।

আগলৈ ৰাঘৱে সাধুবাবাৰ নিৰ্দেশিত বাটেৰে বাস্তৱ জীৱন যাপন কৰিছিল।

বিচিত্ৰ প্ৰকৃতিৰ বৈচিত্ৰ্য

সুপ্ৰাচীন স্তন্যপায়ী !

'আয়ে-আয়ে' হ'ল এবিধ বান্দৰ। দেখাত অতি সৰু। কিন্তু বৰ চকুৰা নোমাল এই বান্দৰ যেতিয়া ১৭৮০ চনত আবিষ্কৃত হৈছিল, তেতিয়া ইয়াক কেৰ্কেটুৰা প্ৰজাতিৰ এবিধ কেৰ্কেটুৰা বুলি ভবা হৈছিল। ম্যাডাগাস্কাৰ দ্বীপৰ এইবিধ অতি আকৰ্ষণীয় বান্দৰক অতি সুপ্ৰাচীন যুগৰ বান্দৰ বুলি গণ্য কৰা হয়। হাত-ভৰিত দীঘল নখ থকা এই প্ৰজাতিৰ বান্দৰে গছৰ বাকলি ফালি ফালি পোক-পৰুৱা ধৰি খায়, অন্য বস্তু প্ৰায় নাখায় বুলিয়েই ক'ব পাৰি, আৰু সেইহে ইহঁতৰ কাৰণে জীয়াই থকাটোৱেই এক কঠিন সমস্যা !

ধৈৰ্য্য-সহ্য !

আমেৰিকাৰ 'এভাৰগ্লেড কাইট' বোলা চিলা-জাতীয় চৰাইৰ একমাত্ৰ খাদ্য হ'ল শামুক। কিন্তু শামুক তাৰ খোলাৰপৰা ওলালেহে তাক ধৰি খায়। এই চৰাইৰ ঠোঁটত অতি টান হাঁকোটা আছে, কিন্তু খোলাৰপৰা শামুকৰ মঙহ টানি উলিয়াবলৈ সেই হাঁকোটা ব্যৱহাৰ নকৰে; শামুকে তাৰ খোলাৰপৰা ওলাই নহালৈকে ধৈৰ্য্যেৰে বৈ থাকে আৰু যেতিয়া শামুক তাৰ খোলাৰপৰা ওলাই আহে তেতিয়া জঁপিয়াই পৰি হাঁকোটাৰে বিন্ধি অৱশ কৰি লৈ শামুকটোৰ মঙহ খায় !

পৰুৱাৰ ভেশত পঁইতাচোৰা !



বগা পৰুৱাবোৰ, যিবোৰে কাঠ আৰু কাগজ খায়, পৰুৱা নহয়, আচলতে পঁইতাচোৰাৰ প্ৰজাতিহে ! ইহঁতক উই-পৰুৱা বুলিও কোৱা হয়। ইহঁতে বিপুল পৰিমাণৰ মাটিৰে বাহ সাজে আৰু প্ৰকৃত-পক্ষে মাটিৰ তলতহে থকা-ঘৰ সাজে। ৰাণী দিওঁ:ত ইহঁতৰ গাত অসংখ্য সৰু সৰু আৰু দেখাত ধুনীয়াবো ধুনীয়া পাখি গজে আৰু বাহৰপৰা ওলাই আহি মতা সহচৰৰ লৈতে মিলিত হয়। তেতিয়া দুয়ো মিলি নতুনকৈ বাহ সাজে।

ଜାନୁଆରୀ ୧୯୯୫ ■ ଦଶଟଙ୍କା

ସଚିତ୍ର ବିଜୟା



ଖୁବ୍ ଶୀଘ୍ର ପହଞ୍ଚୁଛି ଜାନୁଆରୀ ସଂଖ୍ୟା

ଅପୂର୍ବ ପରିପାଟୀରେ ବର୍ଣ୍ଣିଳ

ସଚିତ୍ର

ବି ଜ ୟା

ସୃଜନଶୀଳ ସାହିତ୍ୟ, ସନ୍ଦର୍ଭର ପାରିବାରିକ ମାସିକ ପତ୍ରିକା

ଏ ସଂଖ୍ୟାରେ :

- ଦ୍ରୁମ ମହାଦ୍ରୁମ - ଆମ୍ର ବୃକ୍ଷର କାହାଣୀ
- ଏକାନ୍ତ ପଲ୍ଲୀ - ସଦେଇ ବେରିଣୀ : ଦୀପ ଲିଭି ଆସିଲାଣି
- ଅନ୍ୟ ଜଗତ :
  ଅନନ୍ୟ ଅନୁଭୂତି - ମାରାତ୍ମକ ମମି
- **ସ୍ମୃତି ସଂଜୀବନୀ - ମନୋଜ ଦାସଙ୍କ ଧାରାବାହିକ ସ୍ମୃତି-କଥା**
  'ସମୁଦ୍ର କୂଳର ଏକ ଗାଁ'ର ୪ର୍ଥ ପର୍ଯ୍ୟାୟ: **'ଏକ ଜଳ ଯାତ୍ରା : ଏକ ସଜଳ ସଞ୍ଜ'**
- ମୁଁ ମୋ ବାପାଙ୍କୁ
  ଯେପରି ଜାଣେ - **କାଳିନ୍ଦୀ ଚରଣଙ୍କ** ସଂପର୍କରେ - **ଶ୍ରୀମତୀ ନନ୍ଦିନୀ ଶତପଥୀଙ୍କ** ଆଲେଖ୍ୟ
- ଭିନ୍ନ ମଣିଷ- **ପକ୍ଷୀ ପାଗଳ ରଜାପୁଅ**
- **ମୁଖ୍ୟ ପ୍ରସଙ୍ଗ - 'ଆମେ କେତେ ଦୂର ସ୍ୱାଧୀନ ?'**
  ପାଞ୍ଚଜଣ ଅଗ୍ରଣି ଅଶିତି ବର୍ଷୀୟ ସ୍ୱାଧୀନତା ସଂଗ୍ରାମୀଙ୍କ ସହ ସାକ୍ଷାତକାର
- ଗଳ୍ପ - **ମାନସୀ ଦାସ, ସୁଲୋଚନା ଦାସ, ଅଜ୍ଞେୟ, ନିମିତ୍ତ**
- ରମ୍ୟ ରଚନା - **ରବି କାନୁନ୍‌ଗୋ**
- ଅନ୍ତଃପୁର - **ତପସ୍ୟାର ଅନ୍ୟ ନାମ ଶକ୍ତି-ସ୍ୱରୂପା**
  (ଆଜି ଏକ ମୂକ-ବଧିର କନ୍ୟା ଅଦ୍ଭୁତ ନର୍ତ୍ତକୀ)
  ଓଡ଼ିଶାର ମନ୍ଦିର ଓ ମହିଷୀ
- **ପରମ୍ପରା - ଏ ଚାନ୍ଦିନୀ ରାତି, 'ବୁଇ' ଉଠେ ମାତି**
  ଭରିଯାଏ ଗୀତେ ବଣ ଭୂଇଁ ଛାତି - ଡ଼ାଲ୍‌ଖାଇ ନୃତ୍ୟ ଉପରେ
  ରଙ୍ଗୀନ ଦ୍ୱିପତ୍ର

ଏହା ବ୍ୟତୀତ ତିନୋଟି ନୂତନ ଧାରା ବାହିକୀ : 'ବିଚିତ୍ର ଓଡ଼ିଶା', 'ରସ ଅନନ୍ୟ', 'ବିଦୂଷକ ଉବାଚ୍'
ଗ୍ରହ ବିହାର, ବଡ଼ଙ୍କ ପାଇଁ ଉପକଥା, ଚଳଚ୍ଚିତ୍ର, ସମ୍ବାଦ ସମୀକ୍ଷା, କବିତା, ସ୍ୱାସ୍ଥ୍ୟ, ପରିବେଶ, ସମୟ ଢେଉରେ, ରାଶିଫଳ ଆଦି ଅନେକ ଆକର୍ଷଣୀୟ ବିଭାଗ ସହ ଏକଶତ ସଚିତ୍ର, ରଙ୍ଗୀନ ପୃଷ୍ଠାର ମସୃଣ କାଗଜରେ ମୁଦ୍ରିତ, ଓଡ଼ିଆ ଭାଷାରେ ଅନବଦ୍ୟ ପରୀକ୍ଷା । ଦାମ୍ ମାତ୍ର ଟ.୧୦-୦୦ । ପତ୍ରିକା ପାଇଁ ଆପଣଙ୍କ ନିକଟସ୍ଥ 'ଜହ୍ନମାମୁଁ' ଏଜେଣ୍ଟଙ୍କୁ ଭେଟନ୍ତୁ ।

ଚିତ୍ର ଓ ବୈଚିତ୍ର୍ୟମୟ ନବବର୍ଷର ଏ ସମ୍ଭାର ଅବିଳମ୍ବେ ସଂଗ୍ରହ କରନ୍ତୁ !

ফটো-নামকৰণ প্ৰতিযোগিতা : : পুৰস্কাৰ ১০০ টকা

পুৰস্কৃত নাম ১৯৯৫ চনৰ মাৰ্চ মাহৰ সংখ্যাত প্ৰকাশিত হ'ব।

S.G. Seshagiri

S.G. Seshagiri

- ফটো-নামকৰণ দুই-তিনিটা শব্দৰ ভিতৰত হ'ব লাগিব আৰু শব্দকেইটাৰ মাজত ছন্দগত মিল থাকিব লাগিব। প্ৰতিযোগিতা 'কোন মাহৰ বাবে' তাৰ উল্লেখ অৱশ্যেই থাকিব লাগিব। ১৯৯৫ চনৰ জানুৱাৰি মাহৰ ২০ তাৰিখৰ ভিতৰত আমাৰ হাতত পোৱাকৈ পঠাব লাগিব।
- সৰ্বশ্ৰেষ্ঠ নামকৰণকাৰীক (দুটা নামকৰণ বাবে) সৰ্বমুঠ ১০০ টকা পুৰস্কাৰ দিয়া হ'ব।
- ফটো-নামকৰণ কেৱল প'ষ্টকাৰ্ডত লিখি তলৰ ঠিকনালৈ পঠাব লাগিব :

১৯৯৪ চনৰ নভেম্বৰ মাহৰ ফটো-নামকৰণ প্ৰতিযোগিতাৰ ফলাফল :

প্ৰথম ফটো : লৈছে প্ৰকৃতিৰ প্ৰকৃত চিত্ৰ

দ্বিতীয় ফটো : মাতিছে বাঁহীৰে অজান মিত্ৰ

পংকজকুমাৰ শৰ্মা. পঃ বঃ ধীৰদত্ত উঃ মাঃ বিদ্যালয়, বৰখালা-৭৮১৩৫০

[পুৰস্কাৰৰ ১০০ টকা এই মাহৰ শেষৰ ফালে পঠোৱা হ'ব।

ঠিকনা : CHANDAMAMA PHOTO CAPTION COMPETETION. (ASSAMESE)
CHANDAMAMA BUILDINGS, VADAPALANI, MADRAS—600 026

ভাৰতত বহুৰেকীয়া বৰঙনি **চান্দমামা** ৬০.০০ টকা মাত্ৰ

বৰঙনিৰ ধন তলৰ ঠিকনালৈ পঠাব লাগিব :

Dolton Agencies, Chandamama Buildings, Vadapalani, Madras-600 026

Printed by B.V. REDDI at Prasad Process Private Ltd., 188 N.S.K. Salai, Madras 600 026 (India) and Published by B. VISHWANATHA REDDI on behalf of CHANDAMAMA PUBLICATIONS, Chandamama Buildings, Vadapalani, Madras 600 026 (India). Controlling Editor: NAGI REDDI.

The stories, articles and designs contained herein are exclusive property of the Publishers and copying or adapting them in any manner will be dealt with according to law.

মৰমৰ এই মিঠা উপহাৰ দিয়েনে কি ভাবি চাওক
প্ৰবাসুৱা হৈ থকা আপোনাৰ চেনেহৰজনে পাওক

চান্দমামা

তেওঁ ভালপোৱা চান্দমামাখন তলত লিখা যিকোনো এটি ভাষাৰপৰা বাছি লওক ঃ
অসমীয়া, হিন্দী, গুজৰাটী, বাংলা, ইংৰাজি, কন্নড়, মালয়ালম্,
মৰাঠি, ওড়িয়া সংস্কৃত, তামিল আৰু তেলুগু
আৰু প্ৰবাসত থাকিও তেওঁক উমাল গৃহসুখৰ উম উপভোগ কৰিবলৈ দিয়ক।

বছৰেকীয়া বৰঙণি

অস্ট্ৰেলিয়া, জাপান, মালয়েছিয়া আৰু শ্ৰীলংকালৈ

জাহাজ-যোগে **117.00** ● উৰাজাহাজ-যোগে **264.00**

ফ্ৰান্স, ছিংগাপুৰ, ইংল্যাণ্ড, আমেৰিকা,
পশ্চিম জাৰ্মানি আৰু অন্যান্য দেশলৈ

জাহাজ-যোগে **123.00** ● উৰাজাহাজ-যোগে **264.00**

আপোনাৰ বৰঙণি বেংক ডিমাণ্ড ড্ৰাফ্‌ট্ নাইবা মনি-অৰ্ডাৰ যোগে
চান্দমামা পাবলিকেশ্যনছে পোৱাকৈ পঠাওক ঃ
ছাৰ্কুলেশ্যন মেনেজাৰ **চান্দমামা পাবলিকেশ্যনছ** চান্দমামা বিল্ডিংছ
বড়াপালানি মাদ্ৰাজ-৬০০-০২৬

everest/94/PP/186-as